# ।। পঞ্চম অধ্যায় ।।

# পঞ্চম অধ্যায়

## মন্ত্র সাহিত্য আৰু ইয়াৰ ব্যৱহাৰিক দিশ

### ৫.১. লোক-চিকিৎসা হিচাপে মন্ত্ৰৰ প্ৰয়োগ ঃ

বৈদিক যুগত মন্ত্ৰৰ বহুল প্ৰচলন আছিল। অথৰ্ব বেদত থকা মন্ত্ৰসমূহেই ইয়াৰ প্ৰমাণ দিয়ে। গতিকে অনুমান কৰিব পাৰি যে বৈদিক যুগৰো আগৰ পৰা প্ৰচলিত মন্ত্ৰৰ ধাৰাই মৌখিকভাবে চলি আহি বৈদিক যুগত লিপিবদ্ধ হৈছিল। 'পণ্ডিতসকলৰ মতে আনুমানিক খ্ৰীঃপূঃ ২৫০০ চন মানত চাৰিখন বেদ ৰচনা কৰা হৈছিল। ইয়াৰে ভিতৰত অথৰ্ব বেদত ৰোগ আৰু চিকিৎসাৰ বিশেষ বিৱৰণ দিয়া হৈছিল। সেয়েহে এইখন আয়ুৰ্বেদ বুলিও কোৱা হয়। এইখন অথৰ্ববেদৰ উপাংগ বেদ বোলা হয় যদিও বহুতে 'পঞ্চম বেদ' বুলিও অভিহিত কৰে।'[১] প্ৰাগ-ঐতিহাসিক যুগতেই মন্ত্ৰ আৰু লোক চিকিৎসাৰ আৰম্ভণি হৈছিল। এই মন্ত্ৰ আৰু ঔষধসমূহ মানুহৰ মুখে মুখে প্ৰচলিত হৈ আহিছিল। 'ভাৰতবৰ্ষত সেই প্ৰাগ-ঐতিহাসিক যুগতেই মানুহৰ আৰোগ্য সাধনৰ বাবে এফালে বিভিন্ন প্ৰাকৃতিক ঔষধৰ ব্যৱহাৰ আৰু আনফালে বিভিন্ন অলৌকিক বিশ্বাস, পূজা-পাতল আদিৰ বিধান এই দুয়োটা পদ্ধতিয়েই গঢ়লৈ উঠিছিল, আধুনিক ভাৰতবৰ্ষত তাৰ প্ৰভাৱ আজিও বিদ্যমান।'[২]

ইয়াৰ দ্বাৰা অনুমান কৰিব পাৰি যে মন্ত্ৰৰ পৰম্পৰা অতি প্ৰাচীন। সেইদৰে লোক-ঔষধিসমূহ আদিম যুগতেই মানুহে বিভিন্ন ৰোগ আৰোগ্য কৰিবলৈ ব্যৱহাৰ কৰিছিল।

'মন্ত্ৰই এসময়ত সমাজ নিয়ন্ত্ৰণ কৰিছিল। যাদু বা মন্ত্ৰক কেন্দ্ৰ কৰিয়েই সৃষ্টি হৈছিল শ্ৰেণীসমাজৰ। ভাৰতীয় সমাজ যাদুমন্ত্ৰৰ ওপৰত প্ৰতিষ্ঠিত একোখন শ্ৰেণী সমাজ। বৈদিক মন্ত্ৰ উচ্চাৰণ কৰা সকল আছিল উচ্চ শ্ৰেণীৰ, আনখন সমাজ লোকসমাজ।'[৩] বৈদিক যুগত মন্ত্ৰৰ ভাষা আছিল বৈদিক বা সংস্কৃত। এই মন্ত্ৰ সমূহত প্ৰতিটো শব্দই প্ৰয়োগ কৰা হৈছিল এক সুসংহত অৰ্থৰ ওপৰত ভিত্তি কৰি। বৈয়াকৰণিক নীতি-নিয়ম আৰু অৰ্থযুক্ত শব্দই এই মন্ত্ৰসমূহক এক সুকীয়া গাম্ভীৰ্য প্ৰদান কৰিছিল। কিন্তু, পৰবৰ্ত্তী কালত সময় আগবঢ়াৰ

---

১ গোস্বামী, মিহিৰজ্যোতি (সম্পা.) ঃ নিদানম, পৃ. ১২৪

২ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৪০

৩ শৰ্মা, শশী ঃ অসমৰ লোকসাহিত্য পৃ. ২৫

লগে লগে মন্ত্ৰৰ ভাষাৰ পৰিবৰ্ত্তন হ'ল। শব্দই হেৰুৱাই পেলালে প্ৰাচীন গাম্ভীৰ্য। মায়ং অঞ্চলত প্ৰাপ্ত সংস্কৃত ভাষাৰ মন্ত্ৰসমূহত সেয়ে নিৰ্দিষ্ট অৰ্থৰ গাম্ভীৰ্য দেখা যায়। যেনে চৰণামৃত মন্ত্ৰ, চৰণামৃত লোৱা মন্ত্ৰ, উপবীত বন্ধা মন্ত্ৰ ইত্যাদি। কিন্তু বৰ্ত্তমান প্ৰাপ্ত মন্ত্ৰসমূহ পুৰণি অসমীয়া বা তাৰো পাচৰ নব্যৰূপত পোৱা যায়। 'ইয়াৰ কাৰণস্বৰূপে ঠাৱৰ কৰিব পাৰি যে খৃষ্টীয় ত্ৰয়োদশ শতিকাৰ শেষাৰ্দ্ধৰ পৰা এই বিস্তৃত সময়ছোৱাত লিপিবদ্ধ হোৱা মন্ত্ৰয়েই অধিকতৰ।'[৪] মন্ত্ৰ লোক-সমাজলৈ অহাৰ লগে লগে যিকোনো মানুহেই মন্ত্ৰৰ ব্যৱহাৰ কৰিব পৰা হ'ল। ব্ৰাহ্মণ পণ্ডিতৰ আৱশ্যকতা নোহোৱা হৈ পৰিল। সাধাৰণ লোকজীৱনৰ ঐশ্বৰ্য-বিভূতি, ক্ষমতা-পৰাভৱ, ভূতপ্ৰেত দূৰীকৰণ, বশীকৰণ, সন্মোহন, সৌভাগ্যকৰণ আদি লোকজীৱনৰ সকলোবোৰ বিষয়েই মন্ত্ৰত অন্তৰ্ভুক্ত হৈছিল। মন্ত্ৰৰ শব্দৰ সঠিক প্ৰয়োগে সফলতা আনে বুলি বিশ্বাস কৰা হৈছিল। 'একনিষ্ঠ সাধনাৰ বলত সাধনাৰ উপলক্ষ দেৱ বা দেৱীৰ শক্তিৰে সাধকৰ হৃদয়ৰপৰা নিগৰি ওলায় কিছুমান শব্দ, যিবিলাক শব্দই অসাধ্য সাধন কৰিবলৈ সক্ষম হৈ পৰে।'[৫] এইবাবেই প্ৰাচীন সংস্কৃত ভাষাত প্ৰাপ্ত মন্ত্ৰসমূহৰ শব্দৰ অৰ্থ ব্যাপক। অঞ্চলটোত প্ৰাপ্ত পুৰণি অসমীয়া যিবোৰ মন্ত্ৰ সেইসমূহত শব্দৰ কোনো সুসংহত ৰূপ বা অৰ্থ পোৱা নাযায়। তাৰ পৰিৱৰ্তে শব্দ প্ৰয়োগ বহু পৰিমাণে বিশৃংখল, অৰ্থহীন আৰু সংগতি বিহীন হোৱা দেখা যায়। মন্ত্ৰৰ সৃষ্টিকাৰসকলৰ ভাষাজ্ঞান, ছন্দজ্ঞান, ব্যাকৰণৰ জ্ঞান, শিক্ষা আদিৰ অভাৱ। অথবা লিপিকাৰ সকলো অশিক্ষিত অথবা অৰ্দ্ধশিক্ষিত আছিল। অথবা আন মৌখিক সাহিত্যৰ দৰে মুখ বাগৰি অহাৰ বাবেও এনে ভুল হ'ব পাৰে। কিছুমান মন্ত্ৰত অৱশ্যে একোটা সুসংবদ্ধ কাহিনী পোৱা যায়। বিশেষকৈ কৰতি মন্ত্ৰসমূহত শিৱপাৰ্ব্বতী বিষয়ক, জ্বৰৰ উৎপত্তি বিষয়ক বিভিন্ন কাহিনী পোৱা যায়।

হিন্দু ধৰ্মৰ প্ৰধান মহাকাব্য ৰামায়ণ আৰু মহাভাৰতত বিভিন্ন তন্ত্ৰমন্ত্ৰৰ লগতে বাণৰ উল্লেখ আছে। 'বাণ শব্দৰ অৰ্থ হৈছে শত্ৰুক বশ কৰা বা নিপাত কৰা মন্ত্ৰ।'[৬] প্ৰত্যেক বাণৰ বাবে ভিন ভিন মন্ত্ৰ উচ্চাৰণ কৰিহে বাণ এৰিছিল। 'যেনেকৈ হোমিওপ্যেথিক চিকিৎসকে বিভিন্ন ৰোগৰ বাবে একোটা 'চুগাৰ' পাউদাৰ বা 'গ্ল'বিউল্‌চ (Globules) অ'ত ভিন্ ভিন্

৪-৫ হাজৰিকা, লোকেন্দ্ৰ ঃ পৱিতৰা (অসম সাহিত্য সভা, মৰিগাঁও) পৃ. ৪৯
৬ নাথ, কমলচন্দ্ৰ ঃ সাহিত্য সংস্কৃতিৰ মাধুৰ্য্য পৃ. ৭৬

ঔষধ মিহলাই ৰোগীক দিয়ে সেইদৰে একেই সাধাৰণ লো বা তীখাৰ দ্বাৰা একোপাত বাণত যোদ্ধাই ভিন্ ভিন মন্ত্র উচ্চাৰণ কৰি কেতিয়াবা, অগ্নিবাণ, বৰুণবান নাইবা নাগপাশ বাণলৈ পৰিণত কৰি শত্ৰুপক্ষলৈ নিক্ষেপ কৰে।[৭] প্ৰকৃততে দেখা যায় যে বাণত ব্যৱহাৰ কৰা দ্রব্যইহে উদ্দেশ্য সাধন কৰাত নির্ণায়ক ভূমিকা গ্ৰহণ কৰে। মন্ত্র-তাত গৌণ। যুদ্ধক্ষেত্ৰত মন্ত্রই বীৰযোদ্ধাৰ মনত শক্তি আৰু সাহসৰ সঞ্চাৰ কৰি আগবাঢ়ি যোৱাত সহায়ক হয়।

যুগ যুগ ধৰি মৌখিক পৰম্পৰাত এই বনৌষধিৰ গুণসমূহ প্ৰচলিত হৈ আহিছিল। কিন্তু বৰ্ত্তমান সংৰক্ষণ আৰু সজাগতাৰ অভাৱত বনৌষধি উদ্ভিদসমূহ কালৰ বুকুত হেৰাই গৈছে। আজিৰ চিকিৎসাৰ অগ্ৰগতিৰ যুগতো যি কৰ্কট ৰোগে এক মাৰাত্মক সমস্যাৰূপে থিয় দি আছে, সেই কৰ্কট ৰোগকো অতীজতে মায়ঙৰ বেজে মন্ত্র আৰু বনৌষধিৰদ্বাৰা ভাল কৰাৰ কথা আজিও মানুহৰ মুখত শুনিবলৈ পোৱা যায়। কিন্তু এই মন্ত্র বহুলাংশে বৰ্ত্তমান লুপ্ত হৈ পৰিছে। মন্ত্র লুপ্ত হোৱাৰ লগতে লুপ্ত হৈ গৈছে বনৌষধি। অসমৰ হাবিত প্ৰাপ্ত বিভিন্ন বনৌষধি বেজ বা ওজা সকলে চিনাক্তকৰণ কৰিব পাৰিছিল।[৮] পাৰ্বত্য বা সমতল অঞ্চলত হোৱা ঔষধি বৃক্ষবিলাকৰ যে আৰোগ্যকাৰিণী শক্তি আছিল, সেই বিষয়ে অথৰ্ববেদত স্পষ্টকৈ উল্লেখ কৰা হৈছে।[৯] বৰ্ত্তমানো মায়ং অঞ্চলৰ বিভিন্ন পাহাৰ আদিত সংৰক্ষিত বনৌষধিসমূহৰদ্বাৰা বেজৰ চিকিৎসা চলি আছে। এই বনৌষধিসমূহ বিজ্ঞানসন্মতভাৱে সংৰক্ষণৰ ব্যৱস্থাই ভৱিষ্যতে চিকিৎসা ক্ষেত্ৰত সহায়ক হ'ব বুলি ধাৰণা কৰিব পাৰি।

অপদেৱতা আদিৰ দৃষ্টিত পৰা মানুহক বেজে মন্ত্ৰৰ সহায়ত আৰোগ্য কৰে। মানসিক চিকিৎসকে কয় যে 'মনৰ চিকিৎসা মন্ত্র আৰু তনৰ চিকিৎসা তন্ত্র'।[১০] অৰ্থাৎ মনৰপৰা উদ্ভূত বিভিন্ন ৰোগ মন্ত্ৰৰ সহায়ত আৰোগ্য হয়। তন্ত্র চিকিৎসাৰ বাবে ব্যৱহাৰ হয় বনৌষধি বা বিভিন্ন দ্রব্য। 'স্পেইনৰ প্ৰখ্যাত চিকিৎসা বিজ্ঞানী ডাভি বাৰ্ণাৰে কয় যে মন্ত্র প্ৰয়োগৰ জৰিয়তে এজন ৰোগীৰ আত্মবিশ্বাস, মনোবল তথা সহ্য ক্ষমতা বৃদ্ধি কৰিব পৰা যায়, যিয়ে ৰোগীৰ

---

৭-৮ হাজৰিকা, লোকেন্দ্ৰ ঃ পৰিতৰা পৃ. ৫০

৯ গোস্বামী, মিহিৰজ্যোতি (সম্পা.) ঃ নিদানম, পৃ. ৫৪/

১০ সংবাদদাতা, দাস, জয়ন্ত; (মানসিক ৰোগ বিশেষজ্ঞ) গুৱাহাটী

ৰোগ আৰোগ্যৰ ক্ষেত্ৰত এক ধনাত্মক ভূমিকা লয়। তেওঁৰ মতে যিবোৰ ৰোগ প্ৰধানতঃ মনৰপৰা উদ্ভৱ হোৱা সেই ৰোগবোৰ সহজে তন্ত্ৰ-মন্ত্ৰ প্ৰয়োগৰ দ্বাৰা আৰোগ্য হয়। উদাহৰণ স্বৰূপে কোনো কাৰণ নথকা বিষ, ভয় লগা, দুঃশ্চিন্তা, বদহজম, হিকটি ইত্যাদি।'[১১] অপদেৱতাৰ প্ৰতি লোক সমাজৰ ভয় অতি প্ৰাচীন কালৰে পৰাই চলি আহিছে। বিভিন্ন প্ৰাকৃতিক দুৰ্যোগ প্ৰাকৃতিৰ ভিন্ন ৰূপ, বেমাৰ-আজাৰ আদিয়ে মানৱ মনত ভয়ৰ সঞ্চাৰ কৰে। এই ভয় নিবাৰণৰ বাবে মানৱ সমাজে আশ্ৰয় লয় মন্ত্ৰৰ। অথৰ্ববেদত এই ধৰণৰ চিকিৎসাৰ বিষয়ে বিশদ বিৱৰণ পোৱা যায়। 'চিকিৎসকজনৰ নিতান্ত্য কৰ্ত্তব্য আছিল ৰোগীজনৰ ৰোগ নিৰাময়ৰ লগতে ৰোগীক অভয় দান কৰা। গছ-লতাৰ পৰা আহৃত দ্ৰব্যক মন্ত্ৰপূত কৰি ভিষগ্‌সকলে ৰোগীৰ ৰোগ নিৰাময়ৰ অৰ্থে ব্যৱহাৰ কৰিছিল।'[১২] এই অপদেৱতা, ভূত-পিশাচ আদি দূৰ কৰিবলৈ লোকসমাজে মন্ত্ৰ আৰু ঔষধিৰ প্ৰয়োগ কৰিবলৈ লয়। পানী জৰা, জৰাফুকা আদিৰ সহায়ত ৰোগ আৰোগ্য কৰিবলৈ মন্ত্ৰ মাতে। ঔষধমিহলি বা মন্ত্ৰপূত পানী সেৱন কৰিলে ৰোগ আৰোগ্য হয় বুলি বিশ্বাস প্ৰচলিত আছে। 'অথৰ্ববেদত কৈছে— আপ ইদ্ ৱা ......... ভেষজীৰাপো অমীৱচাতনীঃ —অৰ্থাৎ পানীয়ে সকলো ৰোগ বিনাশ কৰে কাৰণে সকলো ৰোগৰ প্ৰতিষেধক হৈছে পানী।'[১৩]। অপদেৱতাক আঁতৰাবলৈ মানুহ মাদলী, কবচ, তাবিজ আদি ব্যৱহাৰ কৰিছিল। 'মানুহে অপদেৱতাক আঁতৰাই পঠিয়াবৰ বাবে বিভিন্ন জন্তুৰ ছবি খোদিত কৰা মোহৰ শৰীৰত ধাৰণ কৰিছিল ৰোগৰ অজ্ঞাত কাৰণত বিচাৰি নেপাই অপদেৱতা (ভূত) ক দায়ী কৰাৰ প্ৰৱণতা সেই সময়তে মানুহৰ মনত গঢ় লৈ উঠিছিল।'[১৪] এই আটাইবোৰ বিষয় অনুধাৱন কৰিলে দেখা যায় যে প্ৰত্যেকটো বস্তু লোক সমাজে গ্ৰহণ কৰিছিল লোকবিশ্বাস হিচাপে কিন্তু অন্তৰালত লুকাই আছিল এক বিজ্ঞান সন্মত পদ্ধতি। জৰাফুকাৰ বাবে পানী, ৰোগৰ বাবে বনৌষধি, মানসিক চিকিৎসাৰ বাবে মন্ত্ৰৰ প্ৰয়োগ কৰি প্ৰাকৃতিক চিকিৎসাৰ সহায়ত ৰোগ আৰোগ্য কৰিবলৈ সক্ষম হৈছিল বেজ বা বৈদ্যসকলে।

---

১১ প্ৰাগুক্ত গ্ৰন্থ পৃ. ৫৪

১২ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৫৪

১৩ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৫৪

১৪ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৪০

কুমন্ত্রসমূহ প্রয়োগৰ ঔষধি দ্রব্য ব্যৱহাৰ কৰা হয়। সুমন্ত্রই যিদৰে মানুহৰ উপকাৰ কৰে কুমন্ত্রই তাৰ ওলোটা প্রতিক্রিয়া কৰা দেখা যায়। ঔষধি দ্রব্যই শৰীৰৰ অনিষ্ট সাধন কৰে তাৰ লগে লগে মানসিক ভাৱেও ৰোগী হৈ পাৰে এজোন অসুস্থ ব্যক্তি। সেইবাবেই লোকসমাজত বহুলৰূপে কুমন্ত্রৰ প্রয়োগ হোৱা দেখা যায়। সৰ্ব্বেশ্বৰ ৰাজগুৰুৱে তেখেতৰ 'এটা যাদু বিদ্যা আৰু বিজ্ঞান' প্রসংগত এগৰাকী খ্যাতি সম্পন্ন পণ্ডিতে কোৱা এষাৰ কথা এই বুলি উল্লেখ কৰিছিল যে "Magic in the opinion of the leading anthropologists must necessarily be false and barren, for where it ever to become true and fruitful, it would no longer be magic but science. Magic, on analysis, resolves itself into a mistaler application of the laws of asociation of the ideas by simiarity and contignity legitimately applied, these same principles yeild science and illegitimately applied, they yeild magic"[১৫] (খ্যাতনামা নৃতত্ববিদসকলৰ মতে যাদু মিছা আৰু নিষ্ফল, কাৰণ ই সঁচা আৰু ফলপ্রসু হোৱা হ'লে যাদু নহৈ বিজ্ঞান হ'লহেঁতেন। বিশ্লেষণ কৰি দেখা গৈছে যে যাদু হৈছে সাদৃশ্য আৰু সংলগ্নতাৰ এটা ভুল প্রয়োগ। এই নীতিবোৰৰ আইন সংগত বা শুদ্ধ প্রয়োগে আমাক বিজ্ঞান দিয়ে আৰু অশুদ্ধ প্রয়োগৰ ফলত ই হয় যাদু) কুমন্ত্রসমূহ লোকজীৱনৰ সমৃদ্ধিৰ পৰিপন্থী, এনে মন্ত্রসমূহ বেজে সদায় ব্যক্তি বা লোকজনৰ অনিষ্ট সাধন কৰিবলৈ ব্যৱহাৰ কৰে। ই ক্ষতিকাৰক, লগতে এই মন্ত্রত ব্যৱহৃত ঔষধি আৰু দ্রব্যই ব্যক্তি জীৱনৰ অনিষ্ট সাধন কৰি মৃত্যুমুখত পতিত কৰিব পাৰে। কুমন্ত্রৰ সাধন প্রক্রিয়াই লোকসমাজৰ অন্ধকাৰ দিশত আলোকপাত কৰে।

মন্ত্র-গুৰুমুখী বিদ্যা। গুৰুৱে যদি ভুল উচ্চাৰণৰে মন্ত্র পাঠ বা উচ্চাৰণ কৰে শিষ্যয়ো তেনেভাৱেই গ্রহণ কৰিবলৈ বাধ্য। কঠোৰ তপস্যা আৰু সাধন প্রক্রিয়াৰ ফলত গুৰুৱে এই বিদ্যা সাধন কৰে বুলি বিশ্বাস। গতিকে মন্ত্রসমূহ 'শব্দই ব্রহ্ম স্বৰূপ' বুলি মানিলৈ শিষ্যসকলে মন্ত্র গ্রহণ কৰে। গুৰুৱে সদায় সৎ চৰিত্রবান ব্যক্তিক মন্ত্রদান কৰে। ইয়াৰ কাৰণে কেইবাটাও এজোন সৎ নৈতিক চৰিত্রবান ব্যক্তিয়ে মন্ত্র সঠিকভাৱে প্রয়োগ আৰু সংৰক্ষণ কৰিব। এনে নৈতিক চৰিত্রবান ব্যক্তিয়ে কোৱা কথা লোকসমাজে সৰল অন্তঃকৰণৰে মানি লয়;

১৫ সম্পা. নাথ, উৎপল ঃ কালশিলা, স্মৃতিগ্রন্থ, মৰিগাঁও জিলা সাহিত্য সভা পৃ ১২৫

গতিকে এনে ব্যক্তিৰদ্বাৰা এই বিদ্যা দীৰ্ঘস্থায়ী হ'ব পাৰে। মন্ত্ৰসমূহ খৰকৈ উচ্চাৰণ কৰা হয়। মন্ত্ৰসমূহ যাতে সহজে আনে আয়ত্ব কৰিব নাৱাৰে তাৰবাবে হয়তো এনে পদ্ধতি অৱলম্বন কৰে। ইয়াৰ উপৰিও এই ক্ৰিয়া-কাণ্ডসমূহ পৱিত্ৰ অন্তৰে বিধি ব্যৱস্থাৰ মাজেৰে উচ্চাৰণ কৰিলেহে ই ফলপ্ৰাপ্তি হয়। ৰাজমোহন নাথে The background of the Assamese Culture ত উল্লেখ কৰিছে যে 'বৌদ্ধ পন্থীসকলে ভাৰতৰ বিভিন্ন প্ৰান্তত তুৰ্কীসকলৰ দ্বাৰা অত্যাচাৰত জুৰুলা হৈ এই অঞ্চল (পূৱদেশীয় অঞ্চল)টোক নিৰাপদ স্থান হিচাপে বিচাৰি পালে। তেওঁলোক বঙ্গদেশৰ মাজেদি আহি এই অঞ্চলৰ পাহাৰীয়া অঞ্চলত বসতি লৈছিলহি। যদিও তেওঁলোক সু-সংগঠিত নাছিল, তথাপি তেওঁলোকে মানুহৰ বেমাৰ-ব্যাধি আৰু দুঃখ-যাতনা নিৰাময়ৰ অৰ্থে অনেক ধৰণৰ আশ্চাৰ্যজনক যাদুমন্ত্ৰ প্ৰয়োগ কৰি এটা বেলেগ ধৰণৰ আদৰ্শ প্ৰচাৰ কৰিবলৈ ধৰিলে। অচলতে তেওঁলোকে ধৰ্মতত্ত্বতকৈ জীৱিকা নিৰ্বাহৰ উপায় হিচাপেহে উক্ত ধৰ্মাদৰ্শত অধিক গুৰুত্ব দিছিল।'[১৬]

মায়ঙৰ বাঘমৰা বা বাঘ ভেটা সম্পৰ্কে বিভিন্ন প্ৰবাদ আদি প্ৰচলিত হৈ আছে। ৰজামায়ং গাঁৱৰ চুৰাবেজ নামৰ এজন লোকে বনৰ ঢেকীয়াপতীয়া বাঘক জালত ধৰি আনি পানী খুওৱা কথা আজিও মায়ঙৰ লোকৰ মুখে মুখে প্ৰচাৰিত হৈ আছে। একমাত্ৰ মন্ত্ৰৰ শক্তিৰে বনৰ ৰজা বাঘকো বশ কৰিবলৈ সক্ষম হৈছিল। দ্বিপন চন্দ্ৰ নাথে 'মায়ঙৰ বেজ আৰু ৰোমাঞ্চকৰ ঘেৰজালি' গ্ৰন্থত বাঘ চিকাৰ আৰু মন্ত্ৰৰ বিষয়ে সুন্দৰ বৰ্ণনা দিছে। বেজে ৰাইজৰ সহায়ত মন্ত্ৰ মাতি বাঘ ভেটা দি ধৰে। লোকসমাজৰ বিশ্বাস মন্ত্ৰৰ সহায়তহে ই সম্ভৱ। জীৱজন্তুৰ চিকিৎসাতো বনৌষধি আৰু মন্ত্ৰৰ ব্যৱহাৰে সুফল দান কৰিছিল। 'মানুহৰ অভিজ্ঞতা আৰু গৰু, গাহৰি, সাপ, নেউল আদি জন্তুৰ ওপৰত কৰা পৰীক্ষা-নিৰীক্ষাৰ মাজেৰে ভেষজ উদ্ভিদৰ জ্ঞান আহৰণ কৰিছিল। ঋকবেদত থকা তেনে উদ্ভিদৰ বৰ্ণনা হ'ল ভাৰতবৰ্ষৰ ভেষজ বিদ্যাৰ আটাইতকৈ প্ৰাচীন নিদৰ্শন।'[১৭] অতি প্ৰাচীনকালৰপৰা মানুহৰ স'তে জীৱজন্তুও মন্ত্ৰ আৰু বনৌষধিৰ লগত জড়িত হৈ আছে। বিভিন্ন জীৱজন্তুৰ ওপৰত পৰীক্ষামূলকভাৱে প্ৰয়োগ কৰি উৎকৰ্ষ সাধন কৰি মন্ত্ৰ আৰু ঔষধিক লোকসমাজৰ উপযোগী

---

১৬ নাথ, ভৱকান্ত (অনু) ঃ অসমীয়া সংস্কৃতিৰ ভুমিকা পৃ. ৯২

১৭ নিদানম, পৃ. ৪৪

কৈ তৈয়াৰ কৰি লোৱা হৈছিল।

'তেজ বন্ধ হোৱা মন্ত্ৰ' টিত দেখা যায় এচিকটা ধূলি ব্যৱহাৰ কৰা হয় ক্ষতস্থানৰ পৰা যাতে তেজ ওলাব নোৱাৰে তাৰ বাবে। এচিকটা ধূলিলৈ টিপা মাৰি ধৰি একে উশাহতে মন্ত্ৰটি মতা হয়। তেজ বন্ধ হ'বৰ বাবে যিকোনো গুৰি লৈ হেচি দিলে তেজ বন্ধ হয়। এনেবোৰ বেমাৰ-আজাৰ আদিৰ ক্ষেত্ৰত বিষল্যকৰণী আদি উদ্ভিদৰ ব্যৱহাৰ কৰা দেখা যায়। ধূলিৰ ব্যৱহাৰ একপ্ৰকাৰ আসুৰিক চিকিৎসা; সেইদৰে বুকুৰে পিঠিয়ে হান মাৰি ধৰাত মিঠাতেলৰ গৰম মালিছ, শিঙিমাছে বিন্ধিলে বিষৰ পৰা উপশম পাবলৈ ক্ষতস্থানত টিপা মাৰি ধৰা, বিহ ঢেকীয়াৰে জাৰি কঠিন ৰোগৰ পৰা আৰোগ্য কৰা আদি কাৰ্যৰ লগত মন্ত্ৰ ওতঃপ্ৰোতভাবে সাঙোৰ খাই শৰীৰ আৰু মনৰ চিকিৎসা কৰা দেখিবলৈ পোৱা যায়।

গতিকে দেখা যায় যে মন্ত্ৰৰ মূল ভেটি বনৌষধি। মধ্যযুগৰ লোক সমাজত মন্ত্ৰই এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। লোক সমাজৰ সৰল বিশ্বাসত মন্ত্ৰই ধনাত্মক ক্ৰিয়া সম্পাদন কৰি মনলৈ বিশ্বাস কঢ়িয়াই আনে।

**৫.২ লোক-ঔষধি আৰু লোক-চিকিৎসা ঃ**

প্ৰাগ-ঐতিহাসিক যুগৰপৰা মানৱ সমাজত চিকিৎসা আৰু প্ৰতিৰোধ ব্যৱস্থা চলি আহিছে। প্ৰতিকূল পৰিস্থিতিক আয়ত্বাধীন কৰাৰ প্ৰচেষ্টা অতি প্ৰাচীনকালৰপৰাই মানৱ সমাজে আয়ত্ব কৰি লৈছিল। "আদিম মানৱ সমাজে প্ৰাকৃতিক ক্ষেত্ৰৰপৰা বিভিন্ন সামগ্ৰী গ্ৰহণ কৰি ব্যৱহাৰ কৰিবলৈ আৱিস্কাৰ কৰিছিল প্ৰধানতঃ Trail and error methodsৰ জৰিয়তে অথবা গছ-গছনি আৰু জীৱ জন্তুৰ মাজত থকা সহজে বোধগম্য প্ৰভেদ, গুণাগুণ আদি সূক্ষ্ম দৃষ্টিৰে কৰা নিৰীক্ষণ আদিৰ জৰিয়তে।"[১৮] বছৰৰ পিছত বছৰ ধৰি এই ব্যৱস্থাৰ জৰিয়তে লাভ কৰা জ্ঞান অভিজ্ঞতাৰ ফচল ক্ৰমে সংশোধন আৰু মাৰ্জিত হৈ আহিল এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ ঘাইকৈ গুৰুমুখী বিদ্যাৰ জৰিয়তে অৰ্থাৎ মৌখিক ভাৱে। থলুৱাভাৱে প্ৰাপ্ত ঘাইকৈ ঔষধি গুণযুক্ত গছ-গছনিবোৰ পুৰুষাণুক্ৰমে চিনাক্তকৰণ হৈ ক্ৰমে এক থলুৱা চিকিৎসা-পদ্ধতি গঢ় লৈ উঠিল। এই আৰোগ্য সাধন পদ্ধতিৰ সমান্তৰালভাবে লোকজীৱনৰ আস্থা অটুত ৰাখি, মানসিক শক্তিৰ যোগান ধৰিবলৈ মন্ত্ৰৰ প্ৰচলন হ'বলৈ ধৰিলে। "বৈদিক

১৮ নাথ, খগেন ঃ লোক ঔষধ, জনকৃষ্টিৰ ৰূপৰেখা, নবীন চন্দ্ৰ শৰ্মা (সম্পা.), পৃ. ৩০

যুগৰ আগতে ভাৰতবৰ্ষত গঢ় লৈ উঠা এক উন্নত মানৱ সভ্যতা (মহেঞ্জোদাৰো-হৰপ্পা সভ্যতা)ৰ চিকিৎসাৰ বিষয়ে বিতং বিৰৰণ পোৱা নাযায় যদিও এই সময়ছোৱাতে আৰোগ্য সাধন পদ্ধতিৰ সৈতে ধৰ্ম আৰু মেজিক একাকাৰ হৈ পৰিছিল। দাৰ্শনিক চিন্তাৰ বিকাশৰ লগে লগে তাৰ প্ৰভাৱ এই আৰোগ্য সাধন কলা (Art of healing) ৰ ওপৰতো পৰিছিল।[১৯]

প্ৰাচীন ভাৰতীয় চিকিৎসা বিজ্ঞানৰ ইতিহাসক তিনিটা ভাগত ভাগ কৰা হৈছে—

(ক) প্ৰাক-বৈদিক তথা প্ৰাক্-ঐতিহাসিক যুগৰ অৰ্থাৎ সিন্ধু উপত্যকাৰ সভ্যতাৰ সময়ৰ চিকিৎসা বিজ্ঞান

খ) বৈদিক যুগৰ চিকিৎসা ব্যৱস্থা

গ) বৈদিক যুগৰ পিছৰ চিকিৎসা ব্যৱস্থা।[২০]

সিন্ধু উপত্যকাৰ সভ্যতাৰ যুগত গছপূজাৰ প্ৰচলন আছিল বুলি প্ৰমাণ পোৱা গৈছে। ইয়াৰপৰা বুজা যায় যে মানুহৰ জীৱনত আৰু ৰোগ নিৰাময়ৰ ক্ষেত্ৰত উদ্ভিদে এক গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। ঠিক সেইদৰে উদ্ভিদৰ উপৰিও অজৈৱ দ্ৰব্যৰো ব্যৱহাৰ কৰিছিল।[২১] মানুহে অপদেৱতা দূৰ কৰিবলৈ জন্তুৰ ছবি থকা মোহৰ গাত পিন্ধিছিল। ৰোগৰ অজ্ঞাত কাৰণৰ ব্যাখ্যা বিচাৰি নাপাই অপদেৱতাক দায়ী কৰাৰ প্ৰৱণতা সেই সময়তে মানুহৰ মনত গঢ় লৈ উঠিছিল।

বৈদিক যুগত বিশেষকৈ অথৰ্ববেদ ভেষজ বিদ্যাৰ গ্ৰন্থ হিচাপে পৰিগণিত হৈ আহিছে। সেই বাবেই এই গ্ৰন্থৰ অন্য নাম হৈছে ভেষজ বেদ।

*"অপেয়ং ৰাত্ৰ্যুচ্ছত্ব পোচ্ছন্তু ভিকৃত্বৰীঃ।*

*বীৰুৎ ক্ষেত্ৰিয়নাশন্যপ ক্ষেত্ৰিয় মুচ্ছতু।।"*[২২]

(উষাকালীন ৰাতিয়ে যিদৰে অন্ধকাৰ নাশ কৰে, ঠিক সেইদৰে, অন্ধকাৰৰদৰে আৰৱা ক্ষেত্ৰিয় ব্যাধিক দূৰ কৰক, ক্ষেত্ৰিয় ব্যাধিক বিনাশ কাৰিণী ঔষধিয়ে উক্ত ৰোগ দূৰ কৰক।)

হিন্দুসকলৰ চিকিৎসা শাস্ত্ৰ আয়ুৰ্বেদত ইয়াৰ বিস্তৃত বিৰৰণ পোৱা যায়। মানুহে

১৯-২০ নিদানম, পৃ. ৩৯
২১ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৪০
২২ অথৰ্ববেদ, পৃ. ৮৩

অভিজ্ঞতা আৰু বিভিন্ন জীৱজন্তুৰ ওপৰত কৰা পৰীক্ষা-নিৰীক্ষা আদিৰ মাজেৰে ভেষজ উদ্ভিদৰ জ্ঞান আহৰণ কৰিছিল আৰু লোকজীৱনত ইয়াৰ প্ৰয়োগ কৰিছিল। ইয়াৰ বাহিৰেও 'নিদান' খ্যাত 'বৈদ্য অমৰ' গ্ৰন্থত ৰোগ, উদ্ভিদ আদিৰ বৰ্ণনা আছে। উত্তৰ বৈদিক যুগত চিকিৎসাশাস্ত্ৰৰ যথেষ্ট উত্তৰণ ঘটিছিল। খৃষ্টপূৰ্ব ৫০০ৰ পৰা ২০০ খৃষ্টপূৰ্বলৈকে এই সময় খিনিতেই আত্ৰেয় আৰু ধনন্তৰিৰ চিকিৎসাবিদ্যা (খৃঃপূঃ ৬০০) গঢ় লৈ উঠিছিল। প্ৰথমজন ভেষজ বিদ্যাৰ আৰু দ্বিতীয়জন শল্য চিকিৎসাৰ জনক।[২৩]

গতিকে দেখা যায় যে, অতি প্ৰাচীন কালতেই উদ্ভৱ হোৱা এই চিকিৎসা পদ্ধতি বৈদিক আৰু উত্তৰ বৈদিক যুগত অধিক সমৃদ্ধ হৈ পৰিছিল। লোকজীৱনক ৰোগমুক্ত কৰিবলৈ অলেখ বনৌষধিৰ আৱিস্কাৰ হ'ল। মন্ত্ৰ চিকিৎসাৰ জৰিয়তে লোকজীৱনৰ আস্থা অটুত ৰাখিবলৈ সৃষ্টি হ'ল অলেখ মন্ত্ৰৰ। বিভিন্ন তাৰিজ, মাদলী, কবচ আদি মন্ত্ৰপূতঃ কৰি প্ৰয়োগ কৰা হ'ল। অৰ্থাৎ এই সময়তেই চিকিৎসা পদ্ধতিত কিছু পৰিমাণে বিজ্ঞান সন্মত আৰু কিছু পৰিমাণে অবৈজ্ঞানিক বা অলৌকিক কাৰ্য্যকলাপ আৰোপ হৈ মন্ত্ৰ আৰু লোক চিকিৎসা পদ্ধতিয়ে লোকজীৱনৰ উৎকৰ্ষ সাধনৰ বাটত সুদৃঢ় পদক্ষেপ আগবঢ়ালে।

পৰম্পৰাগতভাৱে আৰু আয়ুৰ্বেদ শাস্ত্ৰৰ আধাৰত লোক জীৱনে এক প্ৰকাৰৰ চিকিৎসা পদ্ধতি অনুসৰণ কৰিলে। এই চিকিৎসা পদ্ধতিকেই লোক চিকিৎসা (Folk Medicine) বুলি কোৱা হয়। বিভিন্ন ঔষধি গছ-দ্ৰব্য ইত্যাদি চিনাক্তকৰণ কৰি গ্ৰাম্যঞ্চলৰ এই বেজ বা চিকিৎসক সকলে লোকজীৱনত প্ৰয়োগ কৰিব ধৰিলে। ফলত একশ্ৰেণীৰ কবিৰাজ বা বেজ বা চিকিৎসকৰ সৃষ্টি হ'ল আয়ুৰ্বেদ শাস্ত্ৰৰ কিছু জ্ঞান লাভ কৰি আৰু নিজা প্ৰচেষ্টাৰে এই গাঁৱলীয়া বেজসকলে নিজৰ পেটৰ ভাত মোকলোৱাৰ উপৰিও বিভিন্ন ৰোগৰ চিকিৎসা কৰে। এই বেজসকলে হাবিত গজি উঠা বিভিন্ন দৰৱৰ গছ চিনি পায়। বিভিন্ন গছৰ পাত একেলগ কৰি বতি বড়ি কৰি বা তাৰ ৰস উলিয়াই ৰোগীক খুৱাই ৰোগ নিৰাময়ৰ ব্যৱস্থা কৰে। দৰৱৰ সৈতে মন্ত্ৰও উচ্চাৰণ কৰা হয়। 'আনুষ্ঠানিক বৈজ্ঞানিক চিকিৎসাপদ্ধতিৰ ব্যতিৰেকে জনসাধাৰণৰ মাজত বেমাৰৰ চিকিৎসা আৰু নিবাৰণৰ বাবে পৰম্পৰাগতভাবে যি ব্যৱস্থা লোৱা হয় তাকে লোক-চিকিৎসা বুলি কোৱা হয়।'[২৪] এই চিকিৎসা পদ্ধতি

২৩ নিদানম, পৃ. ৪০

২৪ নাথ, খগেন ঃ লোক ঔষধ, জনকৃষ্টিৰ ৰূপৰেখা, নবীন চন্দ্ৰ শৰ্মা সম্পা., পৃ. ৩১

সাধাৰণতে দুই ধৰণৰ—

ক) প্ৰাকৃতিক লোক চিকিৎসা (Natural Folk Medicine)

খ) যাদুমন্ত্ৰ ভিত্তিক ধৰ্মীয় লোক চিকিৎসা (Megicoreligious Folk Medicine)[২৫]

**ক) প্ৰাকৃতিক লোক চিকিৎসা ঃ** প্ৰাকৃতিক লোকচিকিৎসা বুলিলে ঘাইকৈ বনৌষধিৰে ঘৰুৱাভাৱে কৰা বা গাঁৱত বেজে কৰা চিকিৎসাকে বুজায়। ইয়াৰ ভিতৰত অৱশ্যে গছ-লতাৰ উপৰিও বিভিন্ন জীৱ জন্তুকে ধৰি প্ৰাকৃতিক ক্ষেত্ৰত পোৱা দ্ৰব্যসমূহকো সামৰি লোৱা হয়।

এই বনৌষধিৰে চিকিৎসাৰ ব্যৱস্থা আমাৰ সমাজ ব্যৱস্থাত অতি প্ৰাচীন কালৰপৰা প্ৰচলন আছে। সহ্যাতীত পেটৰ বিষ (Appendicitis) উঠিলে ধপাতৰ পাত তিওৱা পানী, কটাচিঙাৰ ৰক্তস্ৰাৱ বন্ধ কৰিবলৈ বিশল্যকৰণী, কাহ হ'লে তুলসী পাতৰ ৰস, জ্বৰত বাহক তিতাৰ পাত বা ফুল খোৱা সৰ্বসাধাৰণে সততে ব্যৱহাৰ কৰা বনৌষধি।

'এক পৰিসংখ্যা মতে ভাৰতবৰ্ষত প্ৰায় ৪৫,০০০ (পঞ্চলিশ হাজাৰ) প্ৰজাতিৰ বনৌষধিৰ গছ আছে। তাৰে প্ৰায় ৮,০০০ (আঠ হাজাৰ) হাজাৰ প্ৰজাতিৰ উদ্ভিদক মানুহে বিভিন্ন ধৰণৰ ৰোগৰ প্ৰতিষেধক ঔষধৰূপে ব্যৱহাৰ কৰি আহিছে।'[২৬] আনহাতে আন এটি সূত্ৰমতে ভাৰতবৰ্ষত ২৫০০-৩০০০ প্ৰজাতিৰ বিভিন্ন ধৰণৰ ঔষধি হিচাপে ব্যৱহাৰ হৈ আহিছে। উত্তৰ পূৰ্ব ভাৰতৰ সাতখন ৰাজ্যত ২২০০ সংখ্যক ঔষধি ব্যৱহাৰ কৰা হৈ আছে। অসমত ৩৬৭ বিধ।'[২৭] চৰক সংহিতাত চৰকে প্ৰায় ৫০০ আৰু সুশ্ৰুতই ৭৬০ বিধ বনৌষধিৰ বিৱৰণ আৰু ব্যৱহাৰৰ কথা কৈছে।[২৮] এই বনৌষধিসমূহ বিভিন্ন পূজা-পাতল, উৎসৱ-অনুষ্ঠানৰ মাজেৰে লোকসমাজে গ্ৰহণ কৰি আহিছে।

ঔষধৰ প্ৰয়োগ অনুসৰি প্ৰাকৃতিক লোক-চিকিৎসা আকৌ দুটা ভাগত ভাগ কৰিব পাৰি—

---

২৫ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৩১

২৬ হাজৰিকা, লোকেন্দ্ৰ ঃ কামৰূপৰ বনৌষধ বা ভেষজ বিদ্যাৰ পৰম্পৰা (প্ৰবন্ধ) অসম সাহিত্য সভা পত্ৰিকা পৃ. ১২

২৭ নাথ, নমিতা ঃ উদ্ভিদৰ ঔষধি গুণ আৰু আমি পৃ. ৩২

২৮ নিদানম, পৃ. ৪৪

১। খোৱা ঔষধ, ২। নোখোৱা ঔষধ

খোৱা ঔষধ সচৰাচৰ ৰোগ ভেদে ভিন-ভিন আৰু প্ৰধানকৈ গছ-গছনিৰ বিভিন্ন অংশৰপৰা একক ভাৱে বা কেইবাবিধো মিহলি কৰি প্ৰস্তুত কৰা হয়। সাধাৰণতে উদ্ভিদজাত খোৱা ঔষধবোৰ ৰস (Juice) ক্বাথ (Decoction), কহ্ (Extract), বেৰি (Pill), চূৰ্ণ (Powder) আৰু প্ৰত্যক্ষ ভাবে ব্যৱহাৰ কৰা হয়।

নোখোৱা ঔষধবোৰ সচৰাচৰ শৰীৰত ঘহা, মালিচ কৰা, প্ৰলেপ লগোৱা, আঁৰিলোৱা, জাৰিফুকি কোবোৱা আদি ধৰণে ব্যৱহাৰ কৰা হয়।

১। খোৱা ঔষধ ঃ খোৱা ঔষধসমূহৰ ভিতৰত ৰস, আঞ্জা, কহ, চূৰ্ণ-বৰি, ভাজি ইত্যাদি ধৰণে প্ৰস্তুত কৰা হয়।

২। নোখোৱা ঔষধ ঃ প্ৰলেপ, মালিছ, গৰম সেক, ভৰণ, তাবিজ, চূৰ্ণছাই, ঠাৰি, ধোঁৱা দিয়া, ওলোমাই থোৱা ইত্যাদি প্ৰধান।

ৰস ঃ তুলসীৰ ৰস মৌৰ লগত মিলালে কাঁহ আৰোগ্য হয়।

মানিমুনি বা সৰু মানিমুনি সহজলভ্য উদ্ভিদ। মানিমুনিত থকা উপকাৰক হ'ল Hydrocotyline।[২৯] মানিমুনিৰ ৰস প্ৰতিদিনে খাব পাৰিলে অভোক, জ্বৰ, কাঁহ, পেটৰ বিষ, হাপানী স্নায়ৱিক দুৰ্বলতা আদি বেমাৰ ৰোধ কৰিব পাৰি। অজীৰ্ণ, অৰুচি, ৰক্ত পিত্ত হ্ৰাস, অনিদ্ৰা আদিত উপকাৰী। [৩০]

সেইদৰে মছন্দৰী গ্ৰহণী, বদহজম, দ্ৰোণ শাকৰ ৰস অজীৰ্ণ অৰুচি, টনচিল, বসন্ত, অনিদ্ৰাৰ বাবে; হেলচীৰ ৰস এলাৰ্জী, চকুৰ বেমাৰ, জণ্ডিচ; লাইজাবৰিৰ ৰস টনচিলৰ বাবে; বাহকৰ ৰস বিভিন্ন কাঁহৰ বাবে, যকৃতৰ বিকৃতি, যক্ষ্মা, পেলু, জণ্ডিচ, ৰক্তহীনতা, নিউমোনিয়া আদিৰ বাবে; দুপৰ টেঙাৰ ৰস প্ৰস্ৰাৱৰ পৰিমাণ কমিলে বা বৃক্কত পাথৰ হ'লে, নেফাফু পাতৰ ৰস, ভুই আমলখিৰ ৰস, নয়নতৰাৰ ৰস আদি বিভিন্ন ৰোগৰবাবে উপকাৰী বুলি গ্ৰাম্যসমাজত প্ৰমাণিত হৈ আহিছে।[৩১]

ক্বাথ ঃ জিভাত ঘা হ'লে ডালিমৰ বাকলি সিজাই ৰস উলিয়াই খাব লাগে।

---

২৯ নাথ, নমিতা ঃ উদ্ভিদৰ ঔষধি গুণ আৰু আমি পৃ. ১৫

৩০ সংবাদদাতা, নাথ ঃ ওপৰসিং; ৰজামায়ং ৭৫

৩১ সংবাদদাতা, ডেকা ঃ হৰেন; ৰজাচুবা ৭৫

পেটৰ অসুখ অভোক আদিত ভেদাইলতাৰ ৰস উলিয়াই খালে উপশম পোৱা যায়। গ্ৰাম্যাঞ্চলত বেছিভাগ মানুহেই বিভিন্ন ধৰণৰ বনৌষধি উদ্ভিদ শাকৰ জোল হিচাপে বনাই খায়। কমকৈ তেল দি জালুক নহৰু আদি দি জোল বনাই খালেও সমানেই উপকাৰিতা পোৱা যায়।

এনেদৰে খোৱা বনৌষধিসমূহ হৈছে— খুতুৰা পাইলছৰ বাবে; কলমৌ জণ্ডিচ, হৃদৰোগ, প্ৰস্ৰাৱৰ দোষ, খজুৰতি আদিৰ বাবে; টেঙেচি টেঙা লিভাৰৰ বাবে, ডায়বেটিছ আৰু অনিদ্ৰাত ভোগা ৰোগীৰ বাবে; মছন্দৰী গ্ৰহণী, বদহজম বা পেটৰ সমস্যাত ভোগাসকলৰ বাবে; নৰসিংহ জ্বৰ, কাঁহ, গাৰবিষ, চৰ্দি আদিৰ বাবে; পনৌনৌৱা যকৃত আৰু বৃক্কৰ বাবে; লাইজাবৰি জণ্ডিচৰ বাবে; পচতীয়া পানীলগাৰ বাবে; অমৰা পেটৰ বাবে মহৌষধি বুলি গণ্য কৰা হয়।[৩২]

**কহ ঃ** বাহকৰ ৰস জ্বৰৰ বাবে উত্তম। মধুৰীআমৰ পাতৰ ৰসে হজম হোৱাত সহায়ক হয়।

অৰ্জুন গছৰ বাকলি তিয়াই কহৰে হৃদ ধমণীয় ৰোগৰ বাবে উত্তম ঔষধ। ই উচ্চচাপ নিয়ন্ত্ৰণ কৰিব পৰাৰ উপৰিও তেজত কলেষ্টৰেলৰ পৰিমাণ কমাব পাৰে। গ্ৰহণী, ডায়বেটিছ, এজমা আদিত ই যথেষ্ট উপকাৰী।[৩৩]

**চূৰ্ণ ঃ** ত্ৰিফলা অৰ্থাৎ আমলখি, ভোমোৰা, শিলিখা এই তিনিবিধ শুকুৱাই গুৰি কৰি ৰাখি ল'ব পাৰি। ই হজমী শক্তি বঢ়ায়, লগতে কোষ্ঠকাঠিন্য, গেষ্ট্ৰিক, যকৃতৰ বিকৃতি, ডাইবেটিছ বুকু জলা-পোৰা কৰা আদি ৰোগৰ উপশম ঘটায়।[৩৪]

আকণ গছৰ ফুল তথা ছাল শুকুৱাই জালুকৰে সৈতে পিহি খালে যিকোনো পুৰণিধৰণৰ কাহ আৰু এজমা ভাল হয়।[৩৫]

অৰ্জুন গছৰ বাকলি চূৰ্ণ কৰি খালে হৃদ-ধমনীয় ৰোগীৰ বাবে উত্তম ঔষধ।

**বড়ি ঃ** আদা সৰু সৰু কাটি নিমখত তিয়াই বৰি বনাই খালে বদহজম দূৰ হয়।

---

৩২ নাথ, নমিতা ঃ উদ্ভিদৰ ঔষধি গুণ আৰু আমি পৃ. ৩৬

৩৩ সংবাদদাতা, নাথ, ওপৰসিং; ৰজামায়ং ৮০

৩৪-৩৫ সংবাদদাতা, ডেকা, হৰেন; ৰজাচুবা ৭৫

বিভিন্ন গছ-বনৰ পৰা তৈয়াৰী ঔষধ বেজ বা চিকিৎসকসকলে ব্যৱহাৰ কৰে।

ইয়াৰ উপৰিও বিভিন্ন শাক বা বনৌষধি ঘিউ বা তেলত ভাজি জুইত সেকি ৰস খাবলৈ পৰামৰ্শ দিয়া হয়। ব্ৰাহ্মী শাক বা কলমৌ ঘিউত ভাজি খালে স্মৃতিশক্তি বৃদ্ধি হোৱাৰ লগতে সন্তান জন্মৰ পিছত মাকৰ গাখীৰৰ পৰিমাণ অটুট ৰাখিবলৈ ব্যৱহাৰ কৰা হয়। তাৰোপৰি জণ্ডিচ, হৃদৰোগ প্ৰস্ৰাৱৰ দোষ; খজুৰতি আদিতো কলমৌ শাক উপকাৰী।[৩৬]
নোখোৱা ঔষধসমূহ এনেধৰণৰ—

**প্ৰলেপ ঃ** ফোঁহা হ'লে লাইজাবৰি, মানিমুনি বতি প্ৰলেপ লগোৱা হয়। লাইজাবৰিৰ পাত পিহি বসন্তৰোগত প্ৰলেপ সানিলে উপশম পোৱা যায়।

মহানিম পিহি মূৰত প্ৰলেপ সানি কিছুমান থৈ দিলে মূৰৰ ওকণি নাশ হয়।

এৰা পাত পিহি প্ৰলেপ লগালে যথেষ্ট যন্ত্ৰণাদায়ক ফোঁহাও ভাল হ'ব পাৰে। বজাৰত বটলত পোৱা এৰিতেল পাইলছ হ'লে নিয়মিয়াকৈ লগাই উপশম পাব পাৰি।[৩৭]

হাড়জোৰা লতা উদ্ভিদ জোপাৰ নামটোৱেই কয় এইবিধ উদ্ভিদৰ প্ৰধান ঔষধি গুণটো হৈছে ভঙা হাড় জোৰা লগোৱা। হাড় স্থানচ্যুত হ'লে তথা ভাঙিলে ইয়াক পিহি প্ৰলেপ দি বান্ধি ৰাখিলে হাড় ভঙা ভাল হয়। ইয়াৰ ৰস বিভিন্ন ৰোগৰ মহৌষধি।[৩৮]

গেন্ধেলী বনৰ প্ৰলেপে তেজ ওলোৱা বন্ধ হোৱাত সহায়ক হয়। মূৰৰ বিষত গেন্ধেলী বনৰ পাত কপালত ঘঁহি থাকিলে মূৰৰ বিষৰপৰা সকাহ পাব পাৰি।[৩৯]

মণিছাল বা ৰিঠা পানীত তিয়াই পিটিকি প্ৰলেপেৰে মূৰ ধূলে চুলিৰ সমস্যা নোহোৱা হয়।[৪০]

**মালিছ ঃ** বিষত এৰাগুটিৰ তেল, শিহুৰ তেল আদি মালিচ দিয়া হয়।

দুৰ্বলতা আৰু জ্বৰত বচ্ গছৰ কাণ্ড চোবাই খাব পাৰিলে জ্বৰ আৰু দুৰ্বলতা কমে। বচ্ গছৰ তেল মালিচ কৰি স্নায়ৱিক দুৰ্বলতা, ককাঁলৰ বিষ আদিৰপৰা হাত সাৰিব পাৰি।[৪১]

মিঠাতেল বা কেৰাচিন তেলো বিষ আদিত মালিছৰ বাবে ব্যৱহাৰ কৰা হয়।

---

৩৬ সংবাদদাতা, নাথ, ওপৰসিং; ৰজাচুবা ৮০
৩৭-৩৯ সংবাদদাতা, নাথ, দুলাল; মুড়বৰী ৮০
৪০ সংবাদদাতা, নাথ, ওপৰসিং; ৰজামায়ং ৮০
৪১ সংবাদদাতা, ডেকা, হৰেন; ৰজাচুবা ৭৫

**গৰম সেক ঃ** বিভিন্ন বিষ আদিত গৰম পানীৰ লগত নিমখ লৈ সেক দিলে অথবা নিমখ ভাজি কাপোৰত বান্ধি লৈ সেক দিলে উপশম পাব পাৰি।

**ভৰণ ঃ** ছালকুঁৱৰীৰ ৰস বা জোল খিনি উলিয়াই জৰুৰীকালীন অৱস্থাত উচ্চ ৰক্তচাপৰ ৰোগীয়ে ইয়াক মূৰত প্ৰলেপ দিলে কিছু সকাহ পাব পাৰে।[৪২]

কেহেৰাজ পিচি মূৰত ভৰণ দিলে চুলিসৰা বা চুলিৰ যিকোনো সমস্যাৰপৰা হাত সাৰিব পাৰি।

**তাবিজ ঃ** জণ্ডিছ হ'লে ঠাৰিৰ মালা মূৰত লোৱা হয়।

**চূৰ্ণ ছাই ঃ** পুনি, কেহেৰাজ পুৰি ছাই লগালে Syphilis ৰোগ ভাল হয়।[৪৩]

আঠিয়া কল শুকুৱাই পুৰি চূৰ্ণ চাইৰে অসমীয়া মানুহৰ প্ৰিয় খাদ্য কলাখাৰ বনোৱা হয়। কলাখাৰ বদহজম, গেষ্ট্ৰিক আদি ৰোগৰ বাবে উপকাৰী।[৪৪]

**ঠাৰি ঃ** সৌৰা গছৰ ঠাৰিৰে দাঁত মাঁজিলে বিভিন্ন দাঁতৰ ৰোগৰপৰা উপশম পাব পাৰি।[৪৫]

মহানিমৰ ঠাৰিৰেও একেই ৰোগ উপশম পাব পাৰি। বচ গছৰ বাকলি চোবাই খাব পাৰিলে জ্বৰ আৰু দুৰ্বলতা কমে।[৪৬]

**ধোৱা দিলে ঃ** শালগছৰ আঠাৰপৰা তৈয়াৰী ধূণা দিলে মহ আদিৰপৰা ৰক্ষা পাব পাৰি।[৪৭]

মহানিম পুৰি ধোঁৱা দিলেও মহ মাখি নিবাৰিত হয়।

**ওলোমোৱা ঃ** কিছুমান উদ্ভিদ ওলোমাই থ'লেও মহ-মাখি, পোক-পৰুৱা আদিৰ পৰা ৰক্ষা কৰিব পাৰি। মহানিম, পদিনা, নৰসিংহ আদি এনে উদ্ভিদ। মায়ং অঞ্চলত মানুহৰ মুখে মুখে প্ৰচলিত হৈ আছে অলেখ আৰু বনৌষধি। কিছুমান দৰৱ এনেধৰণৰ —

**পুৰুষাৰ দৰৱ ঃ** কৰ্পূৰৰ বাকলি, কৰদৈৰ ছাল, সুমথিৰাৰ বাকলি, ডালিমৰ বাকলি,

---

৪২ নাথ, খগেন ঃ লোকঔষধ, জনকৃষ্টিৰ ৰূপৰেখা পৃ. ৩২

৪৩ সংবাদদাতা, হাজৰিকা, লোকেন্দ্ৰ; লোনমাটি (৫৫)

৪৪ নাথ, নমিতা ঃ উদ্ভিদৰ ঔষধি গুণ আৰু আমি

৪৫-৪৬ সংবাদদাতা, ডেকা, হৰেন; ৰজাচুবা (৭৫)

৪৭ সংবাদদাতা, হাজৰিকা, লোকেন্দ্ৰ; লোনমাটি (৫৫)

ৰঙা কাঠফুলা, শিলিখা, আমঠু সকলো একেলগে বতি ক্ষত স্থানত লেপন দিলে পুৰুৰা ৰোগ নাশ হ'ব।

**গ্ৰহণীৰ দৰৱ ঃ** ডালিমৰ বাকলি, শুকান বেল, মুথা জং মৌ সৰালি, হাঁহকণী, জালুক, বৰাচাউল একেলগে বতি কঠাল পাতেৰে খোলা চাপৰি পিঠা ভাজি খালে, গ্ৰহণী সুস্থ হয়।

**আদ কপলীয়া দৰৱ ঃ** লং তিনিটা, পিপলি ৩টা, বৰুণৰ গাত ৩টা, লোণ ৯ৰতি একত্রে বতি কঁপালত লিপি দিব লাগে।

**এৰাঁৰ দৰৱ ঃ** গৰিয়া গেলাইৰ নেজ, এপাব জুখি লৈ, তাৰ লগত চোৰাত, গৰুৰে খোৰা খোলাৰ বাঁহৰ মূল সবাকে তিনিবিধ সূতাৰে (ৰঙা বগা ক'লা) বিহুৰ দিনা কবচ কৰি পিন্ধিব লাগে।

**প্রসূতিৰ দৰৱ ঃ** কটীয়া জৰা টেঙাৰ ৰস একে বৰণীয়া গাইৰ গাখীৰেৰে খাব লাগে।

**যক্ষ্মাৰোগৰ দৰৱ ঃ** কলৰ আলু সিজাই ৰস লৈ তাতে লং জালুক, পিপলি, অজানি সকলো একে লগে বতি খাব লাগে।

**নাৰেঙাৰ দৰৱ ঃ** কপাহৰ আলু, বৰপুনি, ৰঙাপুৰৈ একেলগে বতি খাব লাগে।

**বিষৰ দৰৱ ঃ** কেচা হালধিৰ ৰস কেতুৰী হালধিৰ ৰস, জেতুকাপাতৰ ৰস, চজনাৰ চালৰ ৰস পচতীয়াৰ পাতৰ ৰস উলিয়াই কণীৰ কুহুমত মাৰি খাব লাগে।[৪৮] এইবোৰৰ উপৰিও কিছুমান ৰোগৰ চিকিৎসা এনেধৰণৰে কৰা হয়—

জণ্ডিছ বা কুহুমসাৰ বেমাৰত ৰোগ হৈছেনে নাই পৰীক্ষা কৰিবলৈ এবিধ গছৰ ঠাৰিৰ মালা পিন্ধাই দিয়া হয়। বনৌষধি দিয়াৰ উপৰিও ফুলা ঠাইত তিনিদিন বান্ধি থয়।[৪৯]

পেট কামোৰণি হ'লে বেজে নাড়ী জাৰে অৰ্থাৎ ৰোগীৰ হাতৰ ৰগডালত ধৰি মন্ত্ৰ মাতে।[৫০]

মূৰৰ বিষ উঠিলে হাতেৰে ধৰি লয়। লাহে লাহে মন্ত্ৰ মাতিলে বিষ ভাল হৈ যায় বুলি বিশ্বাস কৰা হয়।[৫১]

---

৪৮-৫১ সংবাদদাতা, নাথ, ওপৰ সিং; ৰজামায়ং (৭৫)

পেট ফুলা ৰোগত আদা-নিমখ জাৰি খাবলৈ দিয়ে।[৫২]

জণ্ডিচত লাইজাবৰি পাত পিহি দৰবৰ শিপা আদিৰ লগত খাবলৈ দিয়া হয়।[৫৩]

প্ৰসূতিৰ সন্তান ভূমিষ্ঠ নহ'লে বেজে তিনিটা লংজাৰি দিয়ে। তাৰে এটা খাব আৰু এটা চুলিত বান্ধিব, সন্তান ভূমিষ্ঠ হোৱাৰ পাছত তৃতীয়টো লং খাব দিয়ে।[৫৪]

মচকা খালে ভৰিত ঢেকীয়াৰে জাৰি মালিছ কৰি মন্ত্ৰ মাতিলে ভাল হয়।[৫৫]

মায়ং অঞ্চলত মানুহৰদৰে জীৱ জন্তুৰ ৰোগৰ চিকিৎসাও বেজৰ সহায়ত কৰা দেখা যায়। অসমৰ প্ৰাচীন গ্ৰন্থসমূহতো জীৱজন্তুৰ ৰোগ-ব্যাধিৰ বৰ্ণনা দেখিবলৈ পোৱা যায় লগতে ইয়াৰ ঔষধসমূহৰো বৰ্ণনা আছে। 'ৰুদ্ৰ সিংহৰ পাচত চুতানফা বা শিৱসিংহ (১৭১৪-১৭৪৪) আহোম ৰাজপাটত উঠে। হস্তীবিদ্যাৰ্ণৱকে আদি কৰি কেইবাখনো গ্ৰন্থ এইসময়তে ৰচিত হয়।[৫৬] হস্তীবিদ্যাৰ্ণৱ সুকুমাৰ বৰকাইথে ৰচনা কৰা এখনি পশু চিকিৎসা বিষয়ক অমূল্য পৱিত্ৰ গ্ৰন্থ। ১৭৩৪ খ্ৰীঃত ৰচিত এই পুথিখনিত আৰম্ভণিতে 'হস্তীবিদ্যাৰ্ণৱ সাৰ সংগ্ৰহৰ নিৰ্ঘণ্ট' দিছে আৰু ইয়াত প্ৰথমতে শাস্ত্ৰৰ জন্ম কথা, হস্তীৰ জন্ম কথা, দঁতাল হাতীৰ লক্ষণ, এদতীয়া হাতীৰ লক্ষণ, মাখুন্দীৰ লক্ষণ এইকেইটা জাতত ভাগ কৰিছে।[৫৭] কোনবোৰ হাতীৰ লক্ষণ ভাল, কোনবোৰ বেয়া এই আটাইবোৰ বিশ্লেষণ কৰা আছে। দৰবৰ নিদান সম্পৰ্কে কোৱা আছে এনেদৰে ময়দাৰ হবৰ (Rutted and Strong) দৰৱ বড়পুঠিয়া মাছ ঘিঁউত ভাজি গুড়েৰে মিহলাই খুৱাই তিনিদিন, মতা পাৰৰ মগু মাংস, শুকৰৰ মাংস আগদিনা কাটি বাচি বাহি কৰি থ'ব, বান্দৰৰ মাংস থ'ব, পাছ দিনা ঘিঁউত ভাজিব, পাছে বৰাপহু এটা মাৰি মোট মাৰি কালজীৰা, ভোগজীৰা আগৰ বস্তু সবাকো ভৰাই মুখ মাৰি মদ্যত পেলাই তিনিদিন থ'ব, সেই বস্তুক তিনিদিন প্ৰভাতে খুৱাব তেহে ময়দাৰ হয়।'[৫৮] এনেদৰে দৰবৰ বিধান দিয়া আছে গ্ৰন্থখনত। প্ৰাচীন কালত এই বস্তুবোৰ হয়তো সহজলভ্য আছিল।

'ঘোঁৰা নিদান' আহোম যুগত ৰচিত আন এখনি ঘোঁৰা সম্পৰ্কে বিশিষ্ট অতি মূল্যৱান

---

৫২-৫৫ সংবাদদাত্ৰী, দেৱী, ফাগুনী; ৰজামায়ং (৬৪)

৫৬ সংক্ষিপ্ত অসমীয়া বিশ্বকোষ, প্ৰথম খণ্ড, পৃষ্ঠা ২৮

৫৭ হস্তীবিদ্যাৰ্ণৱ নিৰ্ঘণ্ট, পৃষ্ঠা ১

৫৮ প্ৰাগুক্ত গ্ৰন্থ, পৃষ্ঠা ২০৫

গ্ৰন্থ। 'ঘোঁৰা নিদান' গ্ৰন্থখনিৰ দুটা পটলত পোৱা হৈছে। প্ৰথম পটলত ঘোঁৰাৰ জাত, বৰ্ণ আৰু বৰ্ণ অনুসাৰে লক্ষণ আদিৰ বৰ্ণনা আছে। দ্বিতীয় পটলত সন্নিৱিষ্ট হৈছে ঘোঁৰাৰ বিভিন্ন ৰোগ লক্ষণ আৰু তাৰ প্ৰতিকাৰৰ বাবে ঔষধৰ বিৱৰণ। উদাহৰণ স্বৰূপে, ঘোঁৰাৰ চকু কণা হ'লে প্ৰয়োগ কৰা ঔষধ ঃ 'লাইগুটি, চুলিমৰা মকৰা, ভোট জালুক, সকলে দেৱাই নলৰ চুঙ্গাত ভৰি চকুত ফুঞ্চি দিব কণা গুছে।'[৫৯]

গতিকে দেখা যায় অতি প্ৰাচীন কালৰপৰাই মানুহৰ সমান্তৰালকৈ জীৱজন্তুৰো ৰোগ ব্যাধিৰ চৰ্চা অসমত হৈ আহিছে। মায়ং অঞ্চলতো জীৱ জন্তুৰ বিভিন্ন ৰোগৰ দৰৱ আদি দি বেজে চিকিৎসা কৰাৰ পদ্ধতি প্ৰচলিত আছে।

খ) যাদুমন্ত্ৰ ভিত্তিক ধৰ্মীয় চিকিৎসা (Magico-religious Folk Medicine) ঃ

প্ৰাক-ঐতিহাসিক যুগতেই প্ৰাকৃতিক লোক-চিকিৎসাত যাদুমন্ত্ৰৰ প্ৰয়োগ অপৰিহাৰ্য হৈ পৰিছিল। এই যাদুমন্ত্ৰৰ প্ৰয়োগ পৃথিৱীৰ প্ৰায়বিলাক দেশতেই প্ৰচলন আছিল। যাদুমন্ত্ৰৰ প্ৰচলনৰ ক্ষেত্ৰত হে জি ফ্ৰিজাৰে তেওঁৰ গ্ৰন্থ 'Golden Bough' (১৯৫০)ত কৈছে যে—'হাজাৰ হাজাৰ বছৰ ধৰি ভাৰত, বেবিলন আৰু ইজিপ্তৰ হোমিঅ'পেথিক যাদুকৰসকলে যাদুমন্ত্ৰ চিকিৎসা কৰিছিল। আষ্ট্ৰেলিয়া, আফ্ৰিকাৰ আৰু আৰ্জেণ্টিনাৰ অন্যায়কাৰীসকলে কুমন্ত্ৰ প্ৰয়োগ কৰি আহিছে আৰু পৃথিৱীৰ প্ৰায়বিলাক দেশতে ইজনে সিজনক ধূৰ্ত্তালি কৰিবলৈ যাদুমন্ত্ৰ প্ৰচলন কৰা দেখা যায়।'[৬০]

যাদুমন্ত্ৰ প্ৰয়োগ বিভিন্ন প্ৰকাৰে কৰা হয়। যাদুমন্ত্ৰ আৰু পৰোক্ষ চিকিৎসা পদ্ধতিৰে যাদুমন্ত্ৰ ভিত্তিক ধৰ্মীয় চিকিৎসা কৰা দেখা যায়। যাদুমন্ত্ৰৰে চিকিৎসা হৈছে জৰাফুকা, তেলজৰা, পানীজৰা, চূণ জৰা, জাৱ (কবচ) বা দোল আৰু আহুদি।'[৬১]

মায়ং অঞ্চল যাতায়ত-যোগাযোগৰ ক্ষেত্ৰত বহু পিছপৰা আছিল। সেয়ে উন্নত চিকিৎসাৰ অভাৱ আছিল ঠাইখনত। প্ৰায়ভাগ লোকেই সেয়ে ওজা, বৈদ্য বা বেজসকলৰ দ্বাৰা কৰা আসুৰিক চিকিৎসা পদ্ধতিত বিশ্বাস কৰিছিল। এই বেজসকলে বিভিন্ন গছৰ পাত, শিপা, বাকলি আদিৰ ৰস উলিয়াই নাইবা বড়ি তৈয়াৰ কৰি ৰোগীক খুৱাই ৰোগ নিৰাময়

---

৫৯ ঘোঁৰানিদান, পৃষ্ঠা ৪৪

৬০ নিদানম, পৃষ্ঠা ১২৬

৬১ নাথ, খগেন ঃ লোকঔষধ, জনকৃষ্টিৰ ৰূপৰেখা পৃ. ৩২

কৰে। কেইবাজনো বেজে দৰবৰ প্ৰসংগত থলুৱাভাৱে প্ৰাপ্ত বনৌষধিৰ বিষয়ে উল্লেখ কৰিছে। তেওঁলোকে দৰবৰ বাবে আন ঠাইলৈ নাযায়। মায়ং অঞ্চলতে প্ৰাপ্ত বনৌষধি সমূহৰদ্বাৰা চিকিৎসা কৰে। অঞ্চটোত প্ৰাপ্ত এনে কিছুমান ঔষধি গুণযুক্ত বনৌষধি হ'ল অৰ্জুন, মহানিম, পচতীয়া, ধতুৰা, চিৰতা তিতা, তিতা ভেকুৰী, ভেটেই, কনা শিমলু, মানিমুনি, পাতিদৈ, গুণতৰা, মুঠা, নয়নতৰা, নাৰ্জিফুল, মেজেঙা, সৰ্পগন্ধা, শতমূল, গাঠিয়ন, ভোমোৰা, আমলখি, শিলিখা, মধুৰিআম, বেল, কেৰেলা, নৰসিংহ, ডালিম, বিষল্যকৰণী, কালমেঘ, শগুনীলতা, যমলাখুটি, লাটুমনি, ভেবেলী লতা, বটাটেঙা, সিজু, নাগফেনা, বিভিন্ন প্ৰজাতিৰ কল, গছ, পাত, মূল, আলু, আকন, টাংলতি, ক'লাজাম, দীঘলতি, ঢেঁকীয়া, বিহ ঢেঁকীয়া, বাঘ আচোৰা, ঔটেঙা, মনিচাল, তেতেলী বাঘনলী, জাতিএৰা, কচু, ব্ৰাহ্মীশাক, হেলচীশাক, ধনীয়া, জালুক, কলমৌ, মাটিকাদুৰী, কেহেঁৰাজ, পিপলী, সোণ বৰিয়াল, বকুল ফুল আৰু চাল, পদুমফুল আৰু আলু, লাইজাবৰি, দ্ৰোণপুষ্প, বৰহমথুৰি, জেতুকা, চাঙে টেঙা, দুপৰ টেঙা, চাল কুঁৰৰী, পুলি জবাফুল, বিভিন্ন শাক, আমৰ চাল, ডাব নাৰিকল, নেমু, ভোগজিৰা, জনি, কলাজিৰা, আদা হালধি, কলা হালধি, কেতুৰী, মহাভৃংগৰাজ, ভূঞা তিতা, হাড়জোৰা, চতিয়ন, শিমলুৰ ফুল, অমৰা, চজিনা; তিয়হ কোমোৰা, জাতিলাউ, অপৰাজিতা ফুল ইত্যাদি। এই বনদৰবৰ উপৰিও বিভিন্ন ধৰণৰ প্ৰাণীৰ গাখীৰ, নখ, চাল, নোম, মাংস, হাড়, মূৰ, চকু, দাঁত, নোম, দাড়ি ভুঁই, পিত, তেজ আদি অংগজ দৰৱ, তাবিজ দৰৱ, তাবিজ, মাদলী আদিত ব্যৱহাৰ হয়। তাৰ উপৰিও সাপৰ তেল, মোট, দাঁত, চকু, মূৰ বেং আদি কীট-পতংগৰ অংগ, চৰাই চিৰিকতিৰ অংগ মাছ, ঘৰিয়াল আদিৰ তেল আৰু অংগ ইত্যাদি বিভিন্ন দ্ৰব্য ঔষধি ৰূপে লোকসমাজে গ্ৰহণ কৰে।[৬২]

মায়ং অঞ্চলৰ চিকিৎসা পদ্ধতিত বেজে বিভিন্ন-ধৰণে চিকিৎসা কৰিবলৈ চেষ্টা কৰা দেখা যায়। কিছুমান বেজে পুৰুষানুক্ৰমে চিকিৎসা কৰাৰ বিপৰীতে আন কিছুমান বেজে গুৰুৰ পৰা শিকি এনে চিকিৎসা কৰা দেখা যায়। কিছুমান বেমাৰত মন্ত্ৰ প্ৰয়োগ নকৰিলে দৰৱে গুণ-নিদিয়ে বুলি বিশ্বাস কৰা হয়। বৰ্ত্তমান জীৱিত কেইজনমান বেজ হ'ল শচীন্দ্ৰ নাথ, ওপৰ সিং নাথ, হৰেন ডেকা, তিলক হাজৰিকা, ফগুনী দেৱী—

৬২ সংবাদদাতা, হাজৰিকা, লোকেন্দ্ৰ; লোণমাটি (৫৫)

এইকেইগৰাকীয়ে থলুৱা বনৌষধিৰে এতিয়াও চিকিৎসা চলাই আছে। শৰীৰৰ কোনো অংগত আঘাত পাই বিষালে বা দুৰ্ঘটনাত পৰি হাত-ভৰি আদি ভাগি গ'লে বেজে হাড়জোৰা বনেৰে চিকিৎসা কৰে। মালিচ, সেক আদি দিয়াৰ উপৰিও জৰা ফুকা কৰি মন্ত্ৰ মাতে। বসন্ত ওলালে দৰৱ নুখুৱাই মন্ত্ৰৰে পানীজাৰি সেই পানী বেমাৰীৰ গাত ছটিয়াই দিলে ৰোগ ভাগ হয় বুলি বিশ্বাস কৰা হয়। দেও-ভূত, পিশাচ আদি অপ-দেৱতা-ডাইনী আদিৰ কু-দৃষ্টি পৰিলে সিবোৰে লম্ভিলে বহু ৰোগ-ব্যাধি হয় বুলি বিশ্বাস কৰা হয়। ইয়াৰ প্ৰতিকাৰৰ অৰ্থে ওজা বা বেজে বিভিন্ন আসুৰিক উপায় অৱলম্বন কৰে। ডোল, মাদলি, তাবিজ দিয়াৰ উপৰিও বিহঢেকীয়া বা বিহলঙনি আদিৰে জৰাফুকা কৰে। বিহঢেকীয়াৰ পাত চুলে খুজৰাই আৰু চকুৰ বাবে বিষাক্ত গতিকে বেজে অতি সাৱধানে ব্যৱহাৰ কৰিব লগা হয়। ইয়াৰ উপৰিও এৰা গছৰ পাত, নিমপাত, ঢেকীয়াৰ পাত আদিৰে ৰোগীৰ গাত কোবাই কোবাই মন্ত্ৰ মাতে। মায়ং অঞ্চলৰ চিকিৎসা ব্যৱস্থাত ঘাইকৈ বনৌষধি জৰা-ফুকাৰ উপৰিও প্ৰয়োগ কৰা হয়। গ্ৰন্থসমূহৰ বিশেষকৈ কৰতি মন্ত্ৰ বা এনেধৰণৰ মন্ত্ৰ পুথিসমূহত থকা বিভিন্ন বনৌষধিৰে বেজে চিকিৎসা কৰে। বাতবিষ, একাঙ্গী, চকুৰ মণি বগাপৰা, চকুৰ অনবৰতে পানী ওলোৱা, ঘা-ফোঁহা হোৱা পেটফুলা, অহজমী হোৱা নাকেৰে তেজ ওলোৱা বেমাৰত বনৌষধি আৰু মন্ত্ৰৰে চিকিৎসা কৰোৱা হয়। বিভিন্ন মন্ত্ৰৰ ভিতৰত অঞ্চলটোত প্ৰাপ্ত অন্যতম মন্ত্ৰ হৈছে সৰ্পৰ মন্ত্ৰ। এই মন্ত্ৰসমূহ অঞ্চলটোত ব্যাপক ৰূপত প্ৰচলিত হৈ আছে। ডাক্তৰী চিকিৎসাতকৈয়ো ৰোগীক প্ৰথমে বেজৰ ওচৰলৈ অনা হয়। বেজে এই মন্ত্ৰসমূহ ৰক্ষাৰ বাবে কিছুমান নীতি-নিয়ম ৰক্ষা বা পালন কৰিব লগীয়া হয়। যেনে হাবিৰ মাজত গৈ শৰাই এখন দি মনসা পূজা কৰা হয়। বেজে আনক বচাবলৈ চিকিৎসা কৰিব যাওঁতে প্ৰথমে নিজৰ নিৰাপত্তাৰ বাবে শৰীৰ বান্ধি লয়। ই দুইধৰণৰ নিৰাপত্তা দিয়ে প্ৰথমে আনৰ ব্যাধি বেজলৈ নাহে; দ্বিতীয়তে, বেজক বিশ্বাস নথকাজনে যাতে বেজৰ একো ক্ষতি কৰিব নোৱাৰে। বেজে প্ৰথমে সৰ্প দশংনৰ খবৰ পোৱাৰ লগে লগে দংশন কৰোঁতাৰ নামটো উজায় নাযায় বুলি বিশ্বাস। ইয়াৰ পিছত বান্ধনী মন্ত্ৰৰে পিঠি হাত ভৰি বান্ধি মুখৰ পৰা থু মাৰি মন্ত্ৰ জাৰি কামোৰাৰ চাৰিওফালে এডাল ৰেখা আঁকি মন্ত্ৰ গায়। সেইদৰে বিষ নমাবলৈ বিষ নমোৱা মন্ত্ৰ, বিষ পৰীক্ষামন্ত্ৰ, খলিডঙা মন্ত্ৰ ইত্যাদি মন্ত্ৰ মাতি গামোচাৰে বান্ধ দিয়া হয়। শেষত ফল

নধৰিলে ধমক বা ধমকিৰে আৰোগ্য কৰিবলৈ চেষ্টা কৰে।[৬৩] কিছুমান বেজে বনৌষধিৰ লগত মন্ত্ৰৰ ব্যৱহাৰ নকৰে। আনহাতে কিছুমানে কৰে। পেটৰ বিষ সঘনাই হৈ থাকিলে তাৱিজ লয় সেইদৰে সন্তানহীনকো তাৱিজ দিয়া হয়। মায়ঙৰ বাহিৰে আন ঠাইৰপৰা ঔষধসমূহ অনা নহয় অৰ্থাৎ থলুৱা ভাৱেই ৰোগৰ চিকিৎসা কৰা হয়। এই বেজসকলে মায়ঙৰ মন্ত্ৰ আৰু বনৌষধি পৰম্পৰাগত ভাবে পুৰুষানুক্ৰমে চলাই আহিছে। বৰ্ত্তমান প্ৰাপ্ত বনৌষধিৰ ক্ষেত্ৰত বেজে এনেদৰে মত পোষণ কৰে যে বনৌষধি চিনাক্ত কৰণত কিছু অসুবিধা হয় অৰ্থাৎ মন্ত্ৰ পুথিত থকা বনৌষধিৰ নাম আৰু মায়ং অঞ্চলত প্ৰচলিত নাম বেলেগ হয়। বহুতে পূৰ্বৰেপৰা চিনি অহা একে বনৌষধিৰে বহু বেমাৰৰ চিকিৎসা কৰে। জীৱজন্তুৰ ৰোগৰ দৰৱ দিয়ে; মানুহৰ ক্ষেত্ৰতহে মন্ত্ৰ মাতে। কিন্তু গৰুৰ কিছুমান বেমাৰ ভেকোলীয়া, মৌবিচনীয়া ইত্যাদি বেমাৰত খোৱা ঔষধৰ উপৰিও জৰাফুকাও কৰে। প্ৰতিটো বেমাৰৰ বাবে দৰবৰ নিৰ্দিষ্ট পৰিমাণ আছে। সাধাৰণতে ওখ ঠাইৰ পৰা দৰব সংগ্ৰহ কৰা হয়। উঁই হাফলু, পথ বা পথৰ দাঁতি, গছৰ তল, কুঁৱা বা পুখুৰীৰ পাৰ, দেৱ মন্দিৰ, শ্মশান আদি স্থানৰ পৰা ঔষধৰ মূল ডাল, পাত, চাল, ফুল, ফল আদি গ্ৰহণ কৰাটো নিয়ম।[৬৪] এনে স্থানৰ পৰা ঔষধ সংগ্ৰহ কৰিলে শীঘ্ৰে সুফল পোৱা যায়। মায়ং অঞ্চলতো ভঙা-চিঙা ঘৰ, ভগ্ন মন্দিৰ, এৰা ঘৰ, পোক-পৰুৱাই খোৱা উদ্ভিদ, পোৱা ভেটি, পানীৰে উপচি থকা ঠাই, অসময়ত গজা উদ্ভিদ আদিৰ পৰা মূল, পাত, ডাল, ছাল, ফল-ফুল আদি সংগ্ৰহ কৰিব নালাগে বুলি বিশ্বাস প্ৰচলিত আছে। তেনে ঔষধৰ পৰা সুফল পোৱা নাযায়। বেজসকলে সদায় নিৰ্দিষ্ট স্থানৰ পৰাহে দৰৱ সংগ্ৰহ কৰে।

### ৫.৩ তন্ত্ৰ আৰু মন্ত্ৰৰ চিকিৎসা ঃ

'তন্ত্ৰ' পদটোৰ উদ্ভৱ হৈছে সংস্কৃত তন্ ধাতুৰ পৰা অৰ্থাৎ বিস্তাৰ কৰা বা বহলোৱা। সৰ্বতোমুখী আৰু ব্যাপক জ্ঞানৰ তত্ত্ব অনুসন্ধানেই তন্ত্ৰ। মানৱ অন্তৰৰ সজাগ জ্ঞানৰ পৰিণতিত মূৰ্ত্ত জগতৰ জন্ম। তন্ত্ৰ-শাস্ত্ৰ শিৱ-পাৰ্বতীৰ কথোপকথনৰ আধাৰত পল্লৱিত। পাৰ্বতী প্ৰশ্নকৰ্ত্তা শিৱ বক্তা।[৬৫] 'শৈৱ দাৰ্শনিক শ্ৰীকণ্ঠাচাৰ্যই ব্ৰহ্মসূত্ৰৰ শিৱ-বিশিষ্টা দ্বৈত ভাষ্যত তন্ত্ৰ শাস্ত্ৰক

৬৩ সংবাদদাতা, হাজৰিকা, তিলক, ঔগুৰি (৫৬)
৬৪ সংবাদদাতা, হাজৰিকা, লোকেন্দ্ৰ; লোণমাটি (৫৬)
৬৫ বৰুৱা, প্ৰহ্লাদ কুমাৰ ঃ অসমীয়া লোকসাহিত্য, পৃ. ২৩

শ্ৰুতিৰ সমকক্ষৰূপে প্ৰমাণসহ গ্ৰহণ কৰিলে। তেওঁৰ মতে, বেদ আৰু তন্ত্ৰ দুয়োবিধ শাস্ত্ৰই শিৱৰ পৰা প্ৰকাশিত। তন্ত্ৰসাধকসকলৰ মতে, তন্ত্ৰ মানুহৰ ৰচনা নহয়। তন্ত্ৰ স্বয়ং সদাশিৱ মহাদেৱৰপৰা প্ৰকাশিত 'শ্ৰুতিশ্চ দ্বিবিধা প্ৰোক্তা বৈদিকী তান্ত্ৰিকীতি চ।' (মনু টীকা)'।[৬৬]

তন্ত্ৰ সাহিত্যত মন্ত্ৰ শব্দটো মন্ আৰু ত্ৰৈ ধাতুৰ সৈতে সম্পৃক্ত। ধাতুৰ অৰ্থ চিন্তা কৰ (চিন্তা কৰ) ভাবিচোৱা। ত্ৰৈ ধাতুৰ অৰ্থ মুক্ত কৰা (মুক্ত কৰ) গতিকে ইয়াৰপৰা সহজে অনুমান কৰিব পাৰি যে মন্ত্ৰৰ সহায়ত মানুহে আসন্ন বিপদৰপৰা উদ্ধাৰ লাভ কৰিব পাৰে।

যাদু সম্পাদন, পূজা উপাসনা চিকিৎসা আদিৰ ক্ষেত্ৰত প্ৰয়োগ কৰা মন্ত্ৰৰ অৰ্থ আৰু উদ্দেশ্যৰ সৈতে তন্ত্ৰত ব্যৱহৃত মন্ত্ৰৰ সাদৃশ্য লক্ষ্য কৰা যায়। ৰোগ ব্যাধি নিৰাময়ৰ বাবে ব্যৱহৃত মন্ত্ৰবোৰ তন্ত্ৰৰ বিস্তৃত পৰিসৰে সামৰে। শিৱ-শক্তি উভয়ৰে তাৎপৰ্যপূৰ্ণ ভূমিকা ৰক্ষিত শাস্ত্ৰ ৰাজিৰ নাম তন্ত্ৰ। 'তন্ত্ৰ শব্দৰ অৰ্থ পদ্ধতি, ধৰ্মশাস্ত্ৰৰ কৃত্য আৰু ব্যৱহাৰিক ক্ৰিয়া সম্পাদন যি পদ্ধতিয়ে গুৰুত্ব দিয়ে সেই পদ্ধতিৰ নামেই তন্ত্ৰ।

কিছু পণ্ডিতৰ মতে মানসিক চিকিৎসাৰ বাবে মন্ত্ৰ আৰু তন্ বা দেহৰ চিকিৎসা তন্ত্ৰৰ সাধনৰ জৰিয়তে কৰা হয়।[৬৭] তান্ত্ৰিক সাধন পদ্ধতিত শিৱলিংগ, যোনি, মূৰ্ত্তি ইত্যাদি হৈছে যন্ত্ৰ। এই যন্ত্ৰসমূহৰ জৰিয়তে শাৰীৰিক উৎকৰ্ষ সাধন কৰিবলৈ যি প্ৰচেষ্টা কৰা হয় সিয়ে তন্ত্ৰ-মন্ত্ৰ। বিৰিঞ্চি কুমাৰ বৰুৱাৰ মতে জনজাতীয় লোকসকলৰ সৰল বিশ্বাস, নাথমাৰ্গী লোকসকলৰ মন্ত্ৰ সাধনা আৰু বৌদ্ধ তান্ত্ৰিকসকলৰ তন্ত্ৰসাধনাৰ ভেটিতেই তন্ত্ৰ-মন্ত্ৰৰ স্থায়িত্ব নিৰ্ভৰ কৰে।[৬৮] অনুমান কৰিব পাৰি ৮ম-৯ম শতিকাত কামাখ্যাপীঠলৈ তন্ত্ৰ সাধনাৰ বাবে অহা সাধকসকলে উপযুক্ত গুপ্ত সাধনাৰ স্থান বিচাৰি ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে আহি মায়ং ভূ-খণ্ড পায়হি আৰু তাতেই তন্ত্ৰ সাধনাৰ বিভিন্ন প্ৰতীক শৈল খণ্ডত অংকিত বা খোদিত কৰি লৈ (যি সমূহ যন্ত্ৰ ৰূপে চিহ্নিত) গভীৰ মন্ত্ৰ সাধনাত নিমগ্ন হয়। তেতিয়াৰেপৰা মায়ঙে যাদুমন্ত্ৰৰ ক্ষেত্ৰত খ্যাতি লাভ কৰিবলৈ ধৰিলে।[৬৯]

তান্ত্ৰিক সাধনাক মন্ত্ৰৰসৈতে জড়িত কৰিলে ঘাইকৈ বৌদ্ধ তন্ত্ৰবাদে। 'যদিওবা

---

৬৬ নাৰ্জি, ভবেন ঃ বড়ো-কছাৰীৰ সমাজ আৰু সংস্কৃতি, পৃ. ১৭১
৬৭ সংবাদদাতা, ডাঃ জয়ন্ত দাস; মনোৰোগ বিশেষজ্ঞ (৫৫)
৬৮ বৰুৱা, বিৰিঞ্চিকুমাৰ ঃ অসমীয়া কথাসাহিত্য (পুৰণি ভাগ)
৬৯ নাথ, কমলচন্দ্ৰ ঃ সাহিত্য সংস্কৃতিৰ মাধুৰ্য্য পৃ. ৭৫

হিন্দুৰ মঠ-মন্দিৰ আৰু হিন্দুধৰ্মী প্ৰব্ৰজনকাৰীসকলৰে দেশখন ভৰি পৰিছিল, তথাপি বৌদ্ধ ধৰ্মৰ প্ৰৱল হোৱাৰ আৰু বৌদ্ধ তান্ত্ৰিকসকলে তেওঁলোকৰ তন্ত্ৰ-মন্ত্ৰৰদ্বাৰা প্ৰদৰ্শন কৰা অলৌকিক ক্ষমতাৰ অগ্ৰগতিক কোনেও বাধা দিব পৰা নাছিল আৰু এনেধৰণৰ তান্ত্ৰিক পন্থী লোক সমীপবৰ্ত্তী বংগদেশৰপৰা দলে বলে আহি এই দেশত সোমাব ধৰিলে।'[৭০] 'ইতিমধ্যে অষ্ট্ৰিকসকলৰ মাতৃতন্ত্ৰ আৰু বড়োসকলৰ যোনিতত্ত্ব ভিত্তিক কামাখ্যাই বৌদ্ধ তন্ত্ৰবাদ আৰু নাথ সহজীয়া পন্থ এই আটাইবোৰকে সহজে সামৰি পেলালে আৰু বিশুদ্ধ শৈৱ তত্ত্বৰ ওপৰত ভিত্তি কৰি পৰিসংশোধিত ৰূপত এটা নতুন তন্ত্ৰবাদৰ উদ্ভৱ হ'লে সেই ৰূপে কামাখ্যা পৰিসংশোধিত তন্ত্ৰ-সংস্কৃতিৰ প্ৰথম কেন্দ্ৰ হৈ পৰিল।'[৭১]

গতিকে সিদ্ধান্ত কৰিব পাৰি যে প্ৰাচীন হিন্দুধৰ্মৰ সাধন প্ৰণালীৰ সৈতে বৌদ্ধ তান্ত্ৰিক ধৰ্ম, নাথ সম্প্ৰদায়ৰ সহজীয়া পন্থ, জনজাতীয় তান্ত্ৰিক সাধনা এই আটাইবোৰ সাধন পদ্ধতি মিলি মায়ং অঞ্চলৰ মন্ত্ৰ আৰু তন্ত্ৰ চিকিৎসাৰ পদ্ধতি গঢ় লৈ উঠে। প্ৰাচীন মায়ঙত এই সাধনা অত্যন্ত কঠোৰ আছিল। বৰ্ত্তমান এই অঞ্চলত এনে কঠোৰ সাধনা কৰা বৈদ্যৰ অভাৱ যদিও মায়ংবাসীৰ মুখে মুখে এই প্ৰাচীন পদ্ধতিৰ কথা কিম্বদন্তী ৰূপে প্ৰচলিত হৈ আছে।

### ৫.৪ বিভিন্ন জনগোষ্ঠীৰ মাজত মন্ত্ৰৰ ব্যৱহাৰ ঃ

মানৱ সংস্কৃতিত মন্ত্ৰৰ পৰম্পৰা অতি প্ৰাচীন। ভাষাসৃষ্টিৰ সময়ৰেপৰা ইয়াৰ জন্ম। ভাৰতীয় সংস্কৃতিত মন্ত্ৰৰ ধাৰাবাহিকতা বৈদিক যুগৰপৰাই। অথৰ্ব বেদ মূলতঃ মন্ত্ৰ ঔষধ আদিৰ বৰ্ণনাৰে সমুজ্জল। অসমতো অতি প্ৰাচীন এই প্ৰথা। তন্ত্ৰ-মন্ত্ৰ সাধনাৰ ক্ষেত্ৰত অসমৰ প্ৰাচীন জনজাতি সকলৰ অৱদান অনস্বীকাৰ্য। প্ৰতাপচন্দ্ৰ চৌধুৰীৰ ভাষাত 'জড়বাদ (Fetishism) জীৱবাদ (Animisn) লিংগ পূজা, প্ৰজনন সম্পৰ্কীয় বিশ্বাস ইত্যাদি নানান ধৰ্ম বিশ্বাসৰ বিৱৰ্ত্তনৰ আলোচনাত ক'ব পাৰি অসমত অনাৰ্য সকলেই শক্তিধৰ্ম আৰু তান্ত্ৰিক বিশ্বাস প্ৰতিষ্ঠা কৰে। পিছলৈ আলপাইন আৰ্য প্ৰথাৰ লগত মিলি সেইবোৰ অনেক দূৰ হিন্দু ধৰ্মৰ শাৰীলৈ উঠিল যদিও মূলগতভাৱে সেইবোৰ ঐন্দ্ৰজালিক অসংস্কৃত অনুষ্ঠানৰ ভেটিতে

৭০ নাথ, ভৱকান্ত (অনু) ঃ অসমীয়া সংস্কৃতিৰ পটভূমি, পৃ. ৭৫
৭১ নাথ, ভৱকান্ত (অনু) ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৭৭

প্ৰতিষ্ঠিত'।[৭২] মন্ত্ৰসমূহত জনজাতীয় প্ৰভাৱ পৰাৈলে চাই জনজাতীয় সমাজত প্ৰচুৰ পৰিমাণে মন্ত্ৰৰ প্ৰচলন আছিল বুলি অনুমান কৰিব পাৰি।

অসমীয়া জনজাতীয় সমাজখনত প্ৰতিফলিত হোৱা এটা প্ৰসিদ্ধ মন্ত্ৰ হৈছে বাণ কটা মন্ত্ৰ।

'গাৰোৰ বাণ গাঁঠি কাটো, মালৌৰ বাণ গাঁঠি কাঁটো, সোণাৰিৰ বাণ গাঁঠি কাটো, বৰিয়াৰ বাণ গাঁঠি কাটো আহোমৰ বাণ গাঁঠি কাটো, ডফলাৰ বাণ গাঁঠি কাটো, মিৰিৰ বাণ গাঠি কাটো, মিচিমিৰ বাণ গাঁঠি কাটো।'[৭৩] এনে মন্ত্ৰ সমাজ অধ্যয়নৰ বাবে বিশিষ্ট উপাদান। নানা জাতি, নানা বৰ্ণৰ মিলন-মিশ্ৰণ, সমন্বয়-সমাহৰণৰ ফলত গঢ় লৈ উঠা সমগ্ৰ অসমখনৰ নৃগোষ্ঠীসমূহৰ পৰিচয় দিয়াৰ উপৰি অসম জড়িত থকা ডফলা মিচিমি আদি জাতিগোষ্ঠীৰ কথাও মন্ত্ৰৰ মাজেদি জানিবলৈ দিছে।'[৭৪] গতিকে দেখা যায় জাতি-জনজাতিৰে সমৃদ্ধ এখন বৃহত্তৰ অসমীয়া সমাজৰ চিত্ৰ এই মন্ত্ৰৰ জৰিয়তে প্ৰতিফলিত হৈছে।

অসমৰ অন্যান্য জনজাতিৰ লগতে তিৱাসকলৰ মাজতো মন্ত্ৰৰ প্ৰয়োগ দেখা যায়। স্বকীয় তিৱা ভাষা আৰু অসমীয়া ভাষাত উপলব্ধ তিৱা মন্ত্ৰবোৰত তিৱা জনজীৱনৰ প্ৰাসংগিক চিন্তা ধাৰণা কল্পনা ৰীতি-নীতি আদিৰ লগতে গোষ্ঠীটোৰ প্ৰধান চিকিৎসা সেৱা তথা লৌকিক বিশ্বাসৰ ৰূপত প্ৰতিভাত হয়। পৰম্পৰাগতভাৱে প্ৰচলিত হৈ অহা তিৱা মন্ত্ৰবোৰত জনগোষ্ঠীটোৰ ধাৰণা আৰু কল্পনা প্ৰসূত দেৱ-দেৱীক আহ্বান, প্ৰাৰ্থনা, জৰাফুকা, ৰোগব্যাধি, নিৰাময়ৰ অৰ্থে প্ৰয়োগ কৰা দেওভূত খেদা অপায় অমংগল দূৰীকৰণ আদি কৰা দেখা যায়। তেজ ৰখামন্ত্ৰ, মালাঠাকুৰ, বাম্পমন্ত্ৰ, জুয়ে পোৰামন্ত্ৰ, মূৰৰ বিষৰ মন্ত্ৰ, গণেশ মন্ত্ৰ ইত্যাদি প্ৰধান।

মায়ং অঞ্চলৰ পশ্চিম প্ৰান্তত অৱস্থিত বুঢ়ামায়ং গাঁৱত কাৰবি জনগোষ্ঠীৰ লোকসকলে বসবাস কৰে। এইজনগোষ্ঠীৰ লোকসকলৰ বৰ্ত্তমান ভাষা কাৰবি মিশ্ৰিত অসমীয়া। এই লোকসকলৰ মাজতো পূজা-পাতাল, শ্ৰাদ্ধ পিণ্ড আদিৰ লগত প্ৰসংগ অনুসৰি মন্ত্ৰৰ প্ৰচলন আছে। 'বিশেষ মনকৰিবলগা কথা এয়ে যে অন্যান্য ভাষা-ভাষীৰ ক্ষেত্ৰত

৭২ নেওগ, হৰিপ্ৰসাদ; গগৈ, লীলা; সম্পা ঃ অসমীয়া সংস্কৃতি ১৯৭৫ পৃ. ৪৭

৭৩ ভট্টাচাৰ্য এজেশ্বী; বৰকৰতী পুথি পৃ. ৭

৭৪ শৰ্মা, শশী ঃ অসমৰ লোকসাহিত্য পৃ. ১০০

যেনেকৈ বহু মন্ত্ৰ গীতলৈ ৰূপান্তৰিত হৈছে, তেনেকৈ কাৰবিসকলৰো বহুমন্ত্ৰ গীতলৈ ৰূপান্তৰিত হোৱা বুলি অনুমান কৰাৰ থল আছে।"[৭৫]

কাৰবিসকলৰ মাজত লোকবিশ্বাস গঢ় লৈ উঠিছে যে হা-ঈ কাব্যৰ গীত পৰিৱেশন কৰিলে ধাৰাসাৰ বৃষ্টি আৰম্ভ হয়।[৭৬]

ৰ'ল' কেতেৰ' কাৰবিসকলৰ বছৰেকীয়া পূজা-অনুষ্ঠান ইয়াক অনুষ্ঠিত কৰে ৰজাঘৰে। এই পূজাৰ সময়ত ৰজাপ্ৰজা সন্মিলিত হৈ মুক্ৰাং দেৱতা আৰু ৰাছিংজা দেৱীলৈ পূজা আগবঢ়ায়। পূজাৰ অন্তত পুৰোহিত কাথাৰে গোৱা তিনিওটা গীতেই মন্ত্ৰ। এই গীত তিনিটা হ'ল এনে—

*"চি চি মা নেং নেং*
*চি চি নাংহাং জেং*
*বাং বৰ ৰূৱে হাং জেং"।*[৭৭]

হে ন-বতৰৰ বাৰ্তাবাহক জিলিহঁত, তোমালোকৰ, গীতৰ মূৰ্চ্ছনাৰে বৰ্ষদেৱীক পৃথিৱীলৈ নমাই আনা।

*"ক্ৰক্‌ছুৰ মা ক্ৰক্‌ছুৰ*
*ক্ৰকছুৰ নাং কেকুৰ*
*বাংবতৰ নাংচিংথুৰ"*[৭৮]

হে ক্ৰক্‌চুৰ পক্ষী, তোমাৰ অমৃত কণ্ঠেৰে বৰ্ষাদেৱীক মৰ্ত্তলৈ নমাই আনা।

*"খ্ৰক্‌ছ' মা খ্ৰক্‌ছ*
*খ্ৰক্‌ছ' নাংহাংজ'*
*ৰাং বতৰ ছাৰপ*
*ৰামনং আপৰ ল'।"*[৭৯]

হে ভেকৰাজ, তোমালোকৰ অবিৰাম গীতৰ মূৰ্চ্ছনাৰে বৰ্ষাদেৱীক পৃথিৱীলৈ নমাই আনা।

---

৭৫ শৰ্মা, শশী ঃ অসমৰ লোকসাহিত্য পৃ. ১০৫
৭৬ তেৰাং, ৰংবং ঃ সমন্বয় প্ৰবাহ ১৯৮৯ পৃ. ১১
৭৭-৭৯ শৰ্মা, শশী ঃ প্ৰাগুক্ত গ্ৰন্থ পৃ. ১০৬

কাৰবিসকলৰ চ'মাংকান উৎসৱত গোৱা গীতসমূহো এক প্ৰকাৰ মন্ত্ৰ।[৮০] মায়ং অঞ্চলৰ বিভিন্ন জনগোষ্ঠীৰ মাজত প্ৰচলিত মন্ত্ৰসমূহৰ জৰিয়তে এসময়ত গাঁৱৰ গএগ্রাই বেমাৰ আজাৰ, ৰোগ-ব্যাধি, ভূতপ্ৰেত, অপদেৱতা আদিৰপৰা পৰিত্ৰাণ পোৱাৰ পথ বিচাৰি পাইছিল। অৱশ্যে আজিও সণ্চালনিকৈ লোকসাহিত্যৰ এই মন্ত্ৰপূত চিকিৎসা সেৱা জনজাতীয় গাওঁভূইবোৰত প্ৰচলন হৈ আছে।

❑❑❑

৮০ শৰ্মা, শশী ঃ প্ৰাগুক্ত গ্ৰন্থ পৃ. ১০৬